অসম চৰকাৰ

# বিত্ত মন্ত্ৰীৰ বাজেট ভাষণ
# ২০০৯-১০


## শ্ৰীতৰুণ গগৈ

মুখ্যমন্ত্ৰী, অসম


২৯ জুন, ২০০৯

# সূচীপত্ৰ

## খণ্ড - ক


| ক্ৰঃ নং | | পৃষ্ঠা নং |
|---|---|---|
| ১. | পৰিচয় | ১ |
| ২. | অৰ্থনৈতিক পাৰিপাৰ্শ্বিকতা | ১-২ |
| ৩. | ৰাজ্যিক অৰ্থনীতি | ২-৩ |
| ৪. | ৰাজ্যিক বিত্তীয় পৰিস্থিতি | ৩-৬ |
| | ৪.১ ৰাজহ একত্ৰিকৰণ | |
| | ৪.২ ৰাজহৰা ঋণ | |
| | ৪.৩ একত্ৰিকৃত সংকুচিত নিধি | |
| | ৪.৪ চৰকাৰী পত্তাভূতি | |
| | ৪.৫ স্থানীয় নিকায় সমূহলৈ | |
| ৫. | বহিঃ সাহায্য প্ৰকল্প | ৬-৭ |
| ৬. | . আন্তঃগাঠনি বিত্তীয় সাহাৰ্য্য | ৭ |
| ৭. | অসম বিত্তীয় নিগম ও আত্মসহায়ক গোট | ৭ |
| ৮. | গ্ৰাম্য ঋণ আৰু আনুষ্ঠানিক বিত্ত | ৮-৯ |
| ৯. | মহিলাৰ বাবে সুকীয়া বাজেট | ১০ |
| ১০. | ফলাফল নিৰূপিত বাজেট | ১০ |
| ১১. | নতুন পেঞ্চন আঁচনি | ১১ |
| ১২. | দৰমহা সংশোধন | ১১ |
| ১৩. | বাৰ্ষিক পৰিকল্পনা, ২০০৯-১০ | ১১-১৩ |
| ১৪. | ষষ্ঠ অনুসূচী অঞ্চলৰ বাজেট | ১৩-১৪ |
| | ১৪.১ পাৰ্বত্য অঞ্চল | |
| | ১৪.২ বড়োলেণ্ড টেৰিটৰিয়েল কাউঞ্চিল | |
| | ১৪.৩ অন্যান্য স্বায়ত্ব শাসিত পৰিষদ সমূহ | |
| | ১৪.৪ অন্যান্য ৭ খন উন্নয়ণ মূলক পৰিষদ | |
| ১৫. | জনজাতীয় উপ পৰিকল্পনা আৰু অনুসূচীত জাতি সংযোগী পৰিকল্পনা | ১৪ |
| ১৬. | চাহ জনগোষ্ঠীৰ কল্যাণ | ১৫ |
| ১৭. | সংখ্যালঘু সকলৰ কল্যাণ | ১৫ |
| ১৮. | চৰ অঞ্চলৰ উন্নয়ণ | ১৬ |
| ১৯. | সীমান্তবৰ্ত্তী অঞ্চল উন্নয়ণ | ১৬ |
| ২০. | অভ্যন্তৰীন সুৰক্ষা আৰু ৰাজ্যিক আৰক্ষীৰ সৱলিকৰণ | ১৬-১৭ |
| ২১. | নিবনুৱা সমস্যা | ১৮ |
| ২২. | শিক্ষা | ১৮-২০ |
| | ২২.১ প্ৰাথমিক শিক্ষা | |
| | ২২.২ মাধ্যমিক শিক্ষা | |
| | ২২.৩ উচ্চ শিক্ষা | |
| ২৩. | ক্ৰীড়া আৰু যুৱ কল্যাণ | ২০-২১ |
| ২৪. | কলা আৰু সংস্কৃতি | ২১ |
| ২৫. | স্বাস্থ্য আৰু পৰিয়াল কল্যাণ | ২১-২৩ |
| ২৬. | জন-স্বাস্থ্য, খোৱাপানী আৰু অনাময় | ২৩-২৪ |
| ২৭. | কৃষি | ২৪ |
| ২৮. | জলসিঞ্চন | ২৫ |

| | | |
|---|---|---|
| ২৯. | পশুপালন আৰু দুগ্ধ পাম | ২৫-২৬ |
| ৩০. | মীন পালন | ২৬ |
| ৩১. | পঞ্চায়ত | ২৬ |
| ৩২. | গ্ৰাম্য উন্নয়ণ | ২৭-২৮ |
| ৩৩. | জল সম্পদ | ২৯-৩০ |
| ৩৪. | গড় কাপ্তানী | ৩১ |
| ৩৫. | শক্তি | ৩১-৩২ |
| ৩৬. | উদ্যোগ আৰু বানিজ্য | ৩২-৩৪ |
| ৩৭. | তথ্য প্ৰযুক্তি | ৩৪ |
| ৩৮. | সমাজ কল্যাণ | ৩৪-৩৫ |
| ৩৯. | নগৰ উন্নয়ণ | ৩৬ |
| ৩৯.১ | গুৱাহাটী মহানগৰ উন্নয়ণ | |
| ৩৯.২ | অন্যান্য ক্ষুদ্ৰ আৰু মজলীয়া নগৰ আৰু চহৰ উন্নয়ণ | |
| ৩৯.৩ | শ্ৰমিকৰ বাবে আৱাসিক সুবিধা | |
| ৪০. | পৰিবেশ আৰু বন | ৩৮ |
| ৪১. | বিজ্ঞান আৰু প্ৰযুক্তি | ৩৯ |
| ৪২. | পৰ্যটন | ৪০-৪১ |
| ৪৩. | হস্ততাঁত, বয়ন আৰু ৰেচম | ৪১-৪২ |
| ৪৪. | ৰাজহ সংস্কাৰ | ৪২ |
| | খণ্ড - খ (কৰাৰোপন) | |
| ৪৫. | যান-বাহন কৰ | ৪৩-৫১ |
| ৪৬. | আবকাৰী | |
| ৪৭. | ব্যৱসায়িক কৰ | |
| ৪৭.১ | ভেট | |
| ৪৭.২ | সামগ্ৰি আৰু সেৱা কৰ (জি,এচ,টি) | |
| ৪৭.৩ | কেন্দ্ৰীয় বিক্ৰী কৰ (চি,এচ,টি) | |
| ৪৭.৪ | প্ৰৱেশ কৰ | |
| ৪৭.৫ | সংযোজিত পৰীক্ষণ চকী | |
| ৪৭.৬ | ইলেকট্ৰনিক কৰ আদায়ৰ ব্যৱস্থা | |
| ৪৭.৭ | কৰ প্ৰস্তাৱ | |
| | খণ্ড- গ | |
| ৪৮. | বাজেট প্ৰাক্ কলন ২০০৯-১০ | ৫২ |


মাননীয় অধ্যক্ষ মহোদয়,

ইতিপূৰ্বে যোৱা ৭ মাৰ্চত মই ২০০৯ চনৰ প্ৰথম চাৰিমাহৰ বাবে লেখানুদান বিচাৰি অন্তৰ্ৱৰ্তীকালীন বাজেট উত্থাপন কৰিছিলো। এতিয়া মই ২০০৯- ২০১০ বছৰটোৰ বাবে বিশদ আৰু নিয়মীয়া বাজেট উত্থাপন কৰিবলৈ ওলাইছো।

### অৰ্থনৈতিক পৰিৱেশ

যোৱা বছৰ ১০ মাৰ্চত বাজেট উত্থাপন কৰা সময়ত মই মাৰ্কিন যুক্তৰাষ্ট্ৰত চলি থকা অৰ্থনৈতিক মন্দাৱস্থাৰ বিষয়ে উল্লেখ কৰিছিলো। পৰৱৰ্তী ১৫ মাহত অৱস্থা আৰু বেয়া হৈছে আৰু এই প্ৰতিকূল পৰিস্থিতিয়ে প্ৰকৃত অৰ্থনীতিক বাধাগ্ৰস্ত কৰিছে। এই সঙ্কট যদিও উন্নত দেশ সমূহত আৰম্ভ হৈছিল, সম্প্ৰতি ভাৰতকে ধৰি আন আন উদীয়মান দেশ সমূহকো ক্ষতিগ্ৰস্ত কৰিছে। সেয়েহে একাদিক্ৰমে তিনি বছৰৰ বাবে ৯ শতাংশ আৰু যোৱা পাচ বছৰৰ বাবে গড় উন্নয়নৰ হাৰ ৮.৬ শতাংশ অটুট ৰাখিবলৈ সক্ষম হোৱা স্বত্বেও ২০০৮- ০৯ চনৰ বছৰটোৰ পাছৰ ভাগলৈ ভাৰতৰ অৰ্থনৈতিক বিকাশৰ গতি মন্থৰ হৈ পৰে। কেন্দ্ৰীয় চৰকাৰে অৰ্থনীতিক পুনৰ উজ্জীৱিত কৰিবৰ বাবে তিনিটাকৈ উৎসাহবৰ্দ্ধক পেকেজৰ ওপৰিও কেৱাটাও আৰ্থিক আৰু অন্যান্য কাৰ্যসূচী গ্ৰহণ কৰে। বিশ্ব বেঙ্কৰ পূৰ্বানুমান অনুসৰি ২০০৯ চনত বিশ্বৰ অৰ্থনীতি ২.৯ শতাংশ হ্ৰাস পোৱাৰ লগতে ধনী দেশ সমূহৰ মুঠ ঘৰুৱা আয় ৪.২ শতাংশ আৰু বিশ্ব বাণিজ্য ৯.৭ শতাংশ হ্ৰাস পোৱাৰ কথা কোৱা হৈছে। বিশ্ব অৰ্থনীতিৰ এনে নিৰুৎসাহজনক পৰিস্থিতিৰ বিপৰীতে ভাৰতীয় অৰ্থনীতিৰ চলিত বছৰত ৪.৫ শতাংশ বৃদ্ধিৰ আশা কৰা হৈছে।

এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনৰ অৰ্থনীতি তথা ৰাজ্যৰ বিত্তীয় পৰিস্থিতিয়ে কিছু কঠিন চাপৰ সন্মুখীন হবলৈ বাধ্য। তথাপিও বৰ্ত্তমানলৈ আমি ৰাজ্যৰ বিত্তীয় স্থিৰতা আৰু অৰ্থনৈতিক বিকাশৰ হাৰ বাহাল ৰাখিবলৈ সক্ষম হৈছো। আগতীয়াকৈ কৰা গণণাৰ ভিত্তিত ২০০৮ চনৰ বছৰটোত মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ পৰিমাণ ৬.০৪ শতাংশ বৃদ্ধি হব বুলি আশা কৰা হৈছে। শেহতীয়া ভাবে আমি অৱশ্যে কৰ ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত কিছু স্থবিৰতা লক্ষ্য কৰিছো। ৰাজ্যই লাভ কৰা কেন্দ্ৰীয় কৰৰ অংশও বহু পৰিমাণে হ্ৰাস পাইছে।

আন্তৰ্জাতিক বজাৰত খাৰুৱা তেলৰ মূল্য হ্ৰাস হোৱাৰ ফল স্বৰূপে ঘৰুৱা বজাৰত পেট্ৰল অৰু ডিজেলৰ মূল্যও হ্ৰাস পাইছে। ইয়াৰ বিৰূপ প্ৰভাৱ তেলৰ ৰয়েল্টি আৰু অনাভেট কৰৰ ওপৰত পৰিছে। আনহাতে চলি থকা অৰ্থনৈতিক মন্দাৱস্থাৰ উপশমৰ বাবে উৎপাদনমুখী ব্যয় বৃদ্ধি কৰা আৰু কৰ ব্যৱস্থাৰ সংশোধন কৰাটোও প্ৰয়োজন হৈ পৰিছে। বতৰ বিজ্ঞানী সকলে চলিত বছৰত দুৰ্বল মৌচুমী বায়ুৰ আগজাননী দিছে। বৰ্তমানলৈ ৰাজ্যখনৰ বেছিভাগ জিলাতেই গড় হিচাবত প্ৰায় ৬০ শতাংশ বৰষুণ ঘাটি হৈছে। এই পৰিস্থিতি যদি চলি থাকে তেনেহলে ৰাজ্যখনত খাদ্যশস্যৰ উৎপাদন , শক্তিৰ উৎপাদন তথা উপভোক্তাৰ মূল্য সূচকাংকৰ ওপৰত বিৰূপ প্ৰভাৱ পৰিব। এই আটাই বিলাক আহুকাল স্বত্বেও মোৰ লক্ষ্য হল মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন ৬ শতাংশ হাৰত বৃদ্ধি কৰা । ২০০৯-১০ চনৰ বাজেটখন প্ৰস্তুত কৰোতে মই ৰাজ্যখনৰ সকলো শ্ৰেণীকে সামৰি গ্ৰাম্য উন্নয়ন, কৰ্ম সংস্থানৰ সৃষ্টি আৰু নিখুঁত প্ৰশাসন প্ৰদান কৰাক মূল লক্ষ্য হিচাবে লৈ এখন উন্নয়নমূলক বাজেট অসমৰ ৰাইজলৈ আগবঢ়াব খুজিছো।

## ৩. ৰাজ্যৰ অৰ্থনীতি

৩.১ : যোৱা কেইটামান বছৰত ৰাজ্যৰ অৰ্থনীতিয়ে উৎসাহজনক ফল দেখুৱাইছে। দশম পৰিকল্পনাৰ কাল চোৱাত (২০০২-২০০৭)মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ স্থিৰ মূল্যত ( ১৯৯৯-২০০০)বাৰ্ষিক বৃদ্ধিৰ হাৰ আছিল ৫.৭৫ শতাংশ। ২০০৭-২০০৮ চনৰ কালচোৱাত ৰাজ্যখনৰ মুঠ ঘৰুৱা উৎপাদন স্থিৰ মূল্যত ৫১,৩৭২ কোটি টকা আৰু চলিত মূল্যত ৭০,৪৯৩.৯৩ কোটি টকা হব বুলি ঠাৰৰ কৰা হৈছে। অৰ্থাৎ আগৰ বছৰৰ তুলনাত ইয়াৰ বৃদ্ধিৰ পৰিমাণ স্থিৰ মূল্যত হবগৈ ৬.০৬ শতাংশ আৰু চলিত মূল্যত হবগৈ ১০.৪৬ শতাংশ। আগতীয়াকৈ কৰা হিচাব মতে অসমৰ মুঠ ঘৰুৱা উৎপাদনৰ পৰিমাণ ২০০৮-২০০৯ চনত স্থিৰ মূল্যত ৫৪৪৭৭.৩৪ কোটি টকা আৰু চলিত মূল্যত ৭৭,৫০৭ কোটি টকা হবগৈ বুলি আশা কৰা হৈছে। ইয়াৰ ফলত বৃদ্ধিৰ হাৰ স্থিৰ মূল্যত হবগৈ ৬.০৪ শতাংশ আৰু চলিত মূল্যত হবগৈ ১০.০৩ শতাংশ। প্ৰকৃত ৰাজ্যিক ঘৰুৱা উৎপাদনৰ পৰিমাণ ২০০৭-২০০৮ চনত স্থিৰ মূল্যত আছিল ৪৬,৪৩২.৬১ কোটি টকা আৰু চলিত মূল্যত আছিল ৬২,৮৫২.০০ কোটি টকা । গতিকে আগৰ বছৰৰ তুলনাত প্ৰকৃত ৰাজ্যিক ঘৰুৱা উৎপাদনৰ ক্ষেত্ৰত অৰ্থনীতিৰ বৃদ্ধিৰ হাৰ আছিল ৬.৫ শতাংশ।



আগতীয়া হিচাব অনুসৰি ২০০৮-০৯ চনৰ বাবে প্ৰকৃত ৰাজ্যিক ঘৰুৱা উৎপাদনৰ বৃদ্ধিৰ পৰিমাণ ৬.০২ শতাংশ হব বুলি আশা কৰা হৈছে। ২০০৭-২০০৮ চনত প্ৰকৃত জনমুৰি ঘৰুৱা উৎপাদনৰ পৰিমাণ স্থিৰ মূল্যত আছিল ১৫,৮৫৭ টকা আৰু চলিত মূল্যত আছিল ২১,৪৬৪ টকা । আগতীয়া হিচাব অনুসৰি ২০০৮-২০০৯ চনত ইয়াৰ পৰিমাণ স্থিৰ মূল্যত ১৬,৫৯৭ টকা আৰু চলিত মূল্যত ২৩,৩০৮ টকা হবগৈ বুলি আশা কৰা হৈছে।

৩.২: মূল্যমানৰ ক্ষেত্ৰত ২০০৮-২০০৯ চনটো এটা অস্থিৰ বছৰ আছিল। আন্তৰ্জাতিক দ্ৰব্যমূল্যৰ অস্থিৰতাৰ প্ৰভাৱত বছৰটোৰ প্ৰথম ভাগত সৰ্পিল মুদ্ৰাস্ফিতিৰ সৃষ্টি হৈ শেহৰ ফালে দ্ৰুততাৰে এই মুদ্ৰা স্ফিতী হ্ৰাস পাবলৈ ধৰে। দেশত পাইকাৰী মূল্য সূচকাংক যোৱা বছৰৰ ২ আগষ্টত অভূতপূৰ্ব ভাৱে বৃদ্ধি হৈ ১২.৯১ শতাংশৰ পৰ্যায় পায়গৈ আৰু মাৰ্চ মাহৰ শেহলৈ ই দ্ৰুততাৰে ০.২৬ শতাংশ আৰু এপ্ৰিল মাহত ০.১৮ শতাংশলৈ নামি আহে। ৰাষ্ট্ৰীয় মূল্যমান সূচকাংকৰ এটা মন কৰিবলগীয়া দিশ হল যে যি স্থলত পাইকাৰী মূল্য সূচকাংকৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা মুদ্ৰাস্ফিতিৰ হাৰ প্ৰায় শূণ্য তেনে স্থলত উপভোক্তাৰ মূল্যসূচীৰ বিশেষকৈ খাদ্য শস্যৰ মূল্য সূচকাংক বৃদ্ধিৰ হাৰ প্ৰায় দহ শতাংশ। অসমৰ ক্ষেত্ৰত কৃষিজাত দ্ৰব্যৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা পাইকাৰী মূল্য সূচকাংকৰ পৰা দেখা যায় যে, ২০০৭-২০০৮ চনত এই সূচকাংক আগৰ বছৰৰ তুলনাত ১০.২৭ শতাংশ ( ১৯৯৩-৯৪ = ১০০) বৃদ্ধি হৈছে । আকৌ গড় পাইকাৰী মূল্য সূচকাংক ( কৃষি) ২০০৮-০৯ চনৰ প্ৰথম দহ মাহত আগৰ বছৰৰ একে সময়ৰ তুলনাত ৮.১৪ শতাংশ বৃদ্ধি হৈছে।

আনহাতে অসমত (২০০১= ১০০) ক নতুন ভিত্তি হিচাবে লৈ শ্ৰমজীৱি সকলৰ বাবে প্ৰস্তুত কৰা উপভোক্তাৰ মূল্য সূচকাংক ২০০৮ চনৰ মাৰ্চ মাহৰ তুলনাত ২০০৯ চনৰ মাৰ্চ মাহত ৯.৩৮ শতাংশ বৃদ্ধি হোৱা দেখা যায়।

### ৪.১: ৰাজ্যিক বিত্ত

### বিত্তীয় সুদৃঢ়কৰণ

বিত্ত পৰিচালনাৰ ক্ষেত্ৰত আমাৰ পদক্ষেপ সমূহে সকলোৰে প্ৰশংসা লাভ কৰিবলৈ সক্ষম হৈছে আৰু ইয়েই আমাক চৰকাৰখন সুচাৰুৰূপে চলাই নি ৰাজ্য খনৰ অৰ্থনৈতিক উন্নয়নৰ গতি খৰতকীয়া কৰাত সহায় কৰিছে । দ্বাদশ বিত্তীয় আয়োগৰ পৰামৰ্শ অনুসৰি ভাৰত চৰকাৰে ঋণ সুদৃঢ়কৰণ আৰু সাহায্য ব্যৱস্থাৰ প্ৰচলন কৰে। ভাৰত চৰকাৰে এই ব্যৱস্থাৰ অধীনত ৰাজ্য সমূহলৈ দুতৰপীয়া উদগণিমূলক সুবিধা আগবঢ়ায়। সেয়া হল সাধাৰণ ঋণৰ বোজা লঘূকৰণ আৰু পৰিশোধ কৰিবলগীয়া ঋণৰ পৰা মুক্ত কৰণ। বিত্তীয় দায়বদ্ধতা আৰু বাজেট পৰিচালনা আইনৰ প্ৰণয়ণ কৰাটো আছিল এই সুবিধা সমূহ লাভ কৰাৰ পূৰ্বচৰ্ত। ঋণৰ পৰা মুক্ত কৰণৰ সুবিধা লাভ কৰাৰ যোগ্যতা আহৰণৰ বাবে একোখন ৰাজ্যই ৰাজহ ঘাটিৰ পৰিমাণ একেবাৰে নোহোৱা কৰি বিত্তীয়

ঘাটিৰ পৰমিাণ ২০০৮-০৯ চনৰ ভিতৰত মুঠ ঘৰুৱা উৎপাদনৰ ৩ শতাংশলৈ হ্রাস কৰাটো প্রয়োজন।

অসম বিত্তীয় দায়বদ্ধতা আৰু বাজেট পৰিচালনা আইন ২০০৫ চনত প্রণয়ণ কৰি আমাৰ ৰাজ্যই ৬৬১.৪৯ কোটি টকাৰ ঋণৰ বোজাৰ পৰা সকাহ লাভ কৰে। ইয়াৰে ৫০৭.৬২ কোটি টকা মূলৰ পৰা অহা আৰু ১৫৩.৮৭ কোটি টকা সুতৰ পৰা অহা। তদুপৰি আমি উক্ত অইনৰ ব্যৱস্থা মতে তিনি বছৰতে ৰাজহ আৰু বিত্তীয় ঘাটিৰ উক্ত নির্দ্ধাৰিত লক্ষ্যতো উপনীত হৈছো। ইয়াৰ ফল স্বৰূপে আমি ৩১৬.২০ কোটি টকাৰ ঋণ মুক্ত হবৰ বাবেও উপযুক্ত হলো। এই বছৰতো আমি একেই সফলতা আশা কৰিছো। দক্ষ বিত্ত পৰিচালনাৰ ফলত আমাৰ ৰাজ্যখনে পোন পটিয়াকৈ প্রায় ১০০০ কোটি টকাত কৈও অধিক ধন এই ব্যৱস্থাৰ মাধ্যমত লাভ কৰিলে।

অর্থনৈতিক মন্দাৱস্থাৰ পৰিপ্রেক্ষিতত ভাৰত চৰকাৰে বিত্তীয় দায়বদ্ধতা আৰু বাজেট পৰিচালনা আইনৰ লক্ষ্য সমূহ শিথিল কৰিছে। গতিকে সম্প্রতি ২০০৮-২০০৯ আৰু ২০০৯-২০১০ চনৰ ভিতৰত ৰাজহ ঘাটি নোহোৱা কৰাৰ আৱশ্যকতা নোহোৱা হৈছে। বিত্তীয় ঘাতিৰ লক্ষ্যও উক্ত বছৰ কেইটাৰ বাবে মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ ৩.০ শতাংশৰ পৰা ৩,৫ শতাংশলৈ বৃদ্ধি কৰা হৈছে। ইয়াৰ ফলস্বৰূপে ৰাজ্য সমূহে অধিক ঋণলৈ মন্দাৱস্থাৰ প্রতিকূলে ৰাজহুৱা ব্যয় বৃদ্ধি কৰি ঘৰুৱা চাহিদা বৃদ্ধি কৰিব পাৰিব। ভাৰত চৰকাৰে ইতিমধ্যে ৰাজ্য সমূহক তেওঁলোকৰ FRBM আইনৰ সংশ্লিষ্ট দফা সমূহ সংশোধন কৰি লবলৈ পৰামর্শ দিছে। তাৰে পৰিপ্রেক্ষিতত ৰাজ্য চৰকাৰে বিত্তীয় দায়বদ্ধতা আৰু বাজেট পৰিচালনা আইন সংশোধনৰ ব্যৱস্থা গ্রহণ কৰিছে।

## ৪.২ : ৰাজহুৱা ঋণ

দ্বাদশ বিত্ত আয়োগে সুত প্রদানৰ ক্ষেত্রত হোৱা ব্যয় মুঠ ৰাজহ আয়ৰ ১৫ শতাংশ আৰু ঋণৰ পৰিমাণ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ ২৮ শতাংশৰ ভিতৰত সীমিত ৰখাৰ বাবে সীমা বান্ধি দিছে। আমি ২০০৭-২০০৮ চনতে আমাৰ সুত পৰিশোধৰ হাৰ ৯.৮৭ শতাংশলৈ আৰু মুঠ ঋণৰ পৰিমাণৰ ২৭ শতাংশলৈ হ্রাস কৰিবলৈ সক্ষম হৈছো। ২০০৭-২০০৮ চনৰ ৩১ মার্চ পর্যন্ত ৰাজ্য চৰকাৰৰ পৰিশোধ কৰিবলগীয়া ঋণৰ পৰিমাণ আছিল ২০৩৫৮ কোটি টকা আৰু জনমুৰি ঋণৰ পৰিমাণ আছিল ৬৮০৯ টকা। এই জনমুৰি ঋণৰ পৰিমাণ সমগ্র ভাৰতৰ ভিতৰতে দ্বিতীয় সর্বনিম্ন। উদাহৰণ স্বৰূপে গোৱাৰ জনমুৰি ঋণৰ পৰিমাণ ৩৭,৪৮৭ টকা,



অন্ধ্র প্রদেশৰ ১৪,২৪৪ টকা, গুজৰাটৰ ১৭,১৭৪ টকা, কেৰালাৰ ১৭,১৩৬ টকা পঞ্জাবৰ ২০,৯২১ টকা আৰু পশ্চিম বঙ্গৰ ১৫,৪৭৬ টকা। এই বছৰৰ ৩১ মার্চ পর্যন্ত জনমুৰি ঋণৰ পৰিমাণ আমি আৰু কমাবলৈ সক্ষম হৈছো আৰু ইয়াৰ পৰিমাণ এতিয়া হৈছেগৈ ৬৫৮০ টকা।

## ৪.৩ : একত্রিত ঋণ পৰিশোধ পূজি

ৰাজ্য চৰকাৰে ২০০২-০৩ চনৰ পৰাই ভবিষ্যতে ম্যাদ পূর্ণ হব লগীয়া চৰকাৰী ঋণ সমূহৰ বোজা হ্রাস কৰণৰ অর্থে একত্রিত ঋণ পৰিশোধ পূজিত বৰঙণি আগবঢ়াই আহিছে। ইয়াৰ ফলস্বৰূপে ভবিষ্যত প্রজন্মৰ ওপৰত ঋণৰ প্রভাৱ হ্রাস হব। এই পূজি ভাৰতীয় ৰিজার্ভ বেঙ্কে পৰিচালনা কৰে।

## ৪.৪ : চৰকাৰী গেৰাণ্টি আৰু গেৰাণ্টি মুক্তকৰণ পূজি

ৰাজ্য চৰকাৰে, অসম ৰাজ্যিক বিদ্যুত পৰিষদ, অসম বিত্তীয় নিগম, ষ্টেটফেড, ৰাজ্যিক হাউচিং বর্ড, অসম নগৰ পানী যোগান আৰু পয় প্রণালী পৰিষদ, গুৱাহাটী পৌৰ নিগম, গুৱাহাটী মহানগৰ উন্নয়ন কর্তৃপক্ষ আদি অনুষ্ঠান সমূহে চৰকাৰী গেৰাণ্টিৰ আধাৰত ঋন লৈ ঋণৰ চর্ত সমূহ পূৰণ কৰিব নোৱাৰাৰ পৰিপ্রেক্ষিতত ৰাজ্য চৰকাৰে এই ঋণৰ বোজা নিজৰ দায়িত্বলৈ নিবলগীয়া হয়। ইয়াৰ ফল স্বৰূপে চৰকাৰী গেৰাণ্টিৰ পৰিমাণ ২০০০-২০০১ চনৰ ১৫৮৩ কোটি টকাৰ পৰা ২০০৭-২০০৮ চনত ৯৫২ কোটি টকালৈ হ্রাস হয়।

ৰাজ্য চৰকাৰে এটা গেৰাণ্টি মুক্তকৰণ পূজি স্থাপনৰ বাবেও যাৱতীয় ব্যৱস্থা হাতত লৈছে যাতে ভবিষ্যতে কোনো অনুষ্ঠানে চৰকাৰী গেৰাণ্টিৰ ভিত্তিত ঋণ আদায় কৰি পৰিশোধ কৰাত বিফল হলে এই পূজিৰ পৰা জোৰা মাৰিব পৰা যায়। এই পূজি গঠনৰ বিজ্ঞপ্তি চলিত বছৰৰ ভিতৰতে প্রকাশ কৰা হব।

## ৪.৫: : স্থানীয় নিকায় সমূহলৈ পূজি হস্তান্তৰ কৰণ

সংবিধানৰ ৭৩ তম আৰু ৭৪ তম সংশোধনীয়ে পঞ্চায়তী ৰাজ অনুষ্ঠান আৰু নগৰীয়া নিকায় সমূহলৈ পর্যাপ্ত ক্ষমতা, কার্যাৱলী আৰু সমল

আগবঢ়াইছে যাতে এই সমূহ কৰ্মক্ষম আৰু উজ্জীৱীত হৈ উঠিব পাৰে। ২০০৬ চনৰ ফেব্রুৱাৰী মাহত গঠন কৰা তৃতীয় অসম ৰাজ্যিক বিত্ত আয়োগে ২০০৮ চনৰ ফেব্রুৱাৰী মাহত তেওঁলোকৰ প্ৰতিবেদন দাখিল কৰে। আয়োগৰ চূড়ান্ত প্ৰতিবেদনত ১০৩ টা অনুমোদন সন্নিৱিষ্ট কৰা হৈছে। ৰাজ্যৰ মন্ত্ৰী সভাই নীতিগত ভাৱে ৰাজ্যৰ মুঠ নিজস্ব অনাঋণ কৰ ৰাজহৰ পৰা কৰ আদায়ৰ খৰছ বাদ দি সংগৃহীত পূজিৰ ২৫ শতাংশ এই নিকায় সমূহলৈ হস্তান্তৰ কৰাত অনুমোদন জনাইছে। অন্যান্য অনুমোদন সমূহ পৰ্যালোচনা কৰাৰ বাবে মন্ত্ৰীসভাই কেইগৰাকী মান মন্ত্ৰীৰ এটা গোটক দায়িত্ব দিয়ে। মন্ত্ৰী সকলে তেখেত সকলৰ কাম কাজ ইতিমধ্যে সম্পন্ন কৰিছে আৰু সোনকালেই তেখেত সকলৰ মতামত সমূহ মন্ত্ৰীসভাত উত্থাপন কৰাৰ কথা।

কেন্দ্ৰীয় আৰু ৰাজ্যিক বিত্ত আয়োগে পঞ্চায়ত আৰু নগৰ নিকায় সমূহলৈ আগবঢ়োৱা ধন চৰকাৰে একেটা শিতানৰ জৰিয়তে হস্তান্তৰ কৰিব পৰাকৈ ব্যৱস্থা হাতত লৈছে। ২০০৯-২০১০ চনৰ বাজেটত মই তৃতীয় অসম ৰাজ্যিক বিত্ত আয়োগে আগবঢ়োৱা অনুমোদন অনুসৰি পঞ্চায়ত সমূহলৈ ৬৭৯ কোটি আৰু নগৰ নিকায় সমূহলৈ ২৫৪ কোটি টকা ধাৰ্য কৰাৰ প্ৰস্তাৱ কৰিছো। ইয়াৰ ওপৰিও দ্বাদশ বিত্ত আয়োগৰ অনুদান অনুসৰি পঞ্চায়ত সমূহলৈ ৩৭৬ কোটি আৰু নগৰ নিকায় সমূহলৈ ৩৯ কোটি টকাৰ প্ৰস্তাৱো বাজেটত ধাৰ্য কৰা হৈছে।

**৫: বৈদেশিক সাহাৰ্যৰ প্ৰকল্প**

২০০৯- ২০১০ চনৰ পৰিকল্পনাৰ বাজেটত বৈদেশিক সাহাৰ্যৰ প্ৰকল্প সমূহ কাৰ্যকৰী কৰিবৰ বাবে মুঠ ৭৬৬.১০ কোটি টকা ধাৰ্য কৰা হৈছে। এই প্ৰকল্প সমূহ হ'লঃ-

a) Assam Agriculture Competitiveness project (World bank) = Rs 349.88 Crore

b) Assam State Road Project (World Bank) = Rs 170.00 Crore

c) Assam Integrated Flood & management Programme = Rs 50.00 Crore



d ) Assam Governance & Public Resources management Programme (ADB) = Rs 196.22 Crore

**৬: আন্তঃগাথনিৰ বাবে পূজি**

যোৱা বছৰৰ বাজেট বক্তৃতাত মই ৰাজ্যৰ মূল আন্তঃগাথনিমূলক প্ৰকল্প সমূহত পূজিৰ যোগানৰ বাবে এটা সমৰ্পিত পূজি গঠনৰ বিষয়ে আৰু Assam Infrastructure Financing Authority (AIFA) নামৰ এখন ছচাইটি গঠন কৰাৰ বিষয়ে কৈছিলো। বৰ্তমান এই চচাইটি খন পঞ্জীয়নৰ বাবে মন্ত্ৰীসভাৰ অনুমোদন সাপেক্ষে প্ৰয়োজনীয় সকলো আনুষ্ঠানিকতা সমাধা কৰা হৈছে। এই চচাইটি খন গঠন হোৱাৰ পাছত গুৰুত্বপূৰ্ণ আন্ত-গাথনিমূলক প্ৰকল্প সমূহৰ ৰূপায়ণ সময় পাৰহৈ যোৱা, প্ৰকল্প ব্যয় বৃদ্ধি অথবা বাজেটত ধনৰ ঘাটি আদিৰ লেখীয়া কাৰক সমূহৰ দ্বাৰা বাধাগ্ৰস্ত নহব। ইয়াৰ বাবে ২০০৯-২০১০ বাজেটত মই ৫০০ কোটি টকা ধাৰ্য কাৰৰ বাবে প্ৰস্তাৱ কৰিছো।

**৭. অসম বিত্তীয় নিগম**

ৰাজ্য চৰকাৰৰ পৰা শক্তিশালী আৰু একাদিক্ৰমে পাই থকা সাহাৰ্যৰ ভিত্তিত অসম বিত্তীয় নিগমে একাদিক্ৰমে তৃতীয় বছৰৰ বাবে লাভ অৰ্জন কৰি নিজৰ অৱস্থা টনকিয়াল কৰিবলৈ সমৰ্থ হৈছে। ২০০৮-০৯ চনত কৰ দিয়াৰ পাছত তিনি কোটি টকাৰ লাভ দেখুৱাবলৈ সক্ষম হৈছে। এই নিগমে ভিন্ন মুখী কাৰ্যকলাপ হাতত লৈছে আৰু ভিন্ন সংস্থাৰ বাবে কাৰ্যক্ৰমণিকাৰ বিৱৰণ তথা প্ৰকল্প প্ৰতিবেদন ইত্যাদি কাম হাতত লৈছে।

যোৱা বছৰ বাজেটত মই ঘোষণা কৰা অনুসৰি মাইক্ৰ ফাইনেন্সৰ বাবে ১০ কোটি টকা ইতিমধ্যে মোকলাই দিয়া হৈছে। এই আঁচনি খন মুখ্যমন্ত্ৰীৰ মাইক্ৰফাইনেন্স আঁচনি নামেৰে নামাকৰণ কৰা হৈছে। এই আঁচনিয়ে ৰাজ্যখনৰ মাইক্ৰফাইনান্স আন্দোলন শক্তিশালি কৰিব।

মাননীয় সদস্য সকলে জানে যে অসম বিত্তীয় নিগমৰ বহুতো ঋণ লওতাই বিভিন্ন কাৰণত যেনে, সন্ত্ৰসবাদী কাৰ্যকলাপ, আন্তঃগাথনিৰ অভাৱ, অথবা অন্যান্য বাহ্যিক কাৰণত তেওঁলোকৰ আঁচনি সমূহ কাৰ্যকৰী কৰিব নোৱাৰিলে তেওঁলোকৰ বহুতৰে থকা ঘৰ আৰু খেতি মাটি খিনিৰ বাহিৰে বন্ধক দিব পৰা আন একো নাই। তেওঁলোকৰ বহুতেই আকৌ দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰে। আইনগত ব্যৱস্থা হাতত ললে তেওঁলোকৰ অনেকেই গৃহহাৰা হৈ পৰিব। সেয়েহে এনে দীৰ্ঘদিনীয়া ঋণ পৰিশোধ কৰিব নোৱৰা বাকী থকা ক্ষুদ্ৰ ঋণ গ্ৰহীতা সকলৰ বাবে এখন ঋণ মুক্তকৰণ আচনি এখন প্ৰস্তুত কৰিবলৈ এখন কমিটি গঠন কৰাৰ প্ৰস্তাৱ কৰিছো।

ৰাজ্যৰ নতুন উদ্যোগী সকলৰ বেছিভাগেই প্ৰচলিত বেঙ্ক ব্যৱস্থাৰ পৰা ঋণ আদায় কৰাত আহুকালৰ সন্মুখীন হৈছে। আমাৰ যুৱক সকলৰ সৃষ্টিশীলতাক পঙ্গু কৰাত ই অৰিহণা যোগাইছে। সেয়েহে এই বাজেটত মই অসম বিত্তীয় নিগমৰ অধীনত এটা ভেঞ্চাৰ মূলধনী পূজি গঠন কৰাৰ প্ৰস্তাৱ কৰিছো। নিয়োগ সৃষ্টি আঁচনিৰ পৰা পাচ কোটি টকাৰে এই পূজি আৰম্ভ কৰা হব। মই অসম মূলৰ সকলো প্ৰবাসী ভাৰতীয়লৈ এই পূজিলৈ বৰঙণি আগবঢ়াবৰ বাবে আৰু আমাৰ যুৱক সকলক পৰামৰ্শ দি বাটদেখুৱাই দিবৰ বাবে আহ্বান জনাইছো। ক্ষুদ্ৰ আৰু মজলীয়া যিবোৰ উদ্যোগে গাও আৰু উপ চহৰাঞ্চললৈ আৱশ্যকীয় সামগ্ৰীৰ যোগান ধৰে তেওঁলোকেই হব এই আঁচনিৰ মূল হিতাধিকাৰী। এই আচঁনিৰ অধীনত বিনিয়োগৰ পৰিমাণ আৱশ্যকতাৰ ওপৰত নিৰ্ভৰ কৰি ১০ লাখৰ পৰা এক কোটি টকা হবগৈ। আঁচনি সমূহ দক্ষতা সম্পন্ন বিশেষজ্ঞ আৰু চৰকাৰে মনোনীত কৰা বিষয়াৰ দ্বাৰা নিৰ্বাচিত কৰা হব।

## ৮: গ্ৰাম্য ঋণ আৰু আনুষ্ঠানিক বিত্ত

৮.১: মাননীয় সদস্য সকলে জানে যে আমাৰ ৰাজ্যখনৰ বাবে মই সদায়েই আনুষ্ঠানিক ঋণৰ পোষকতা কৰি আহিছো। ৰাজ্যখনত অগ্ৰাধিকৰ ক্ষেত্ৰলৈ দিয়া ঋণৰ পৰিমাণ ইতিমধ্যে মুঠ ঋণৰ ৬০ শতাংশ অতিক্ৰম কৰিছে। কৃষি খণ্ডলৈ আগবঢ়োৱা ঋণৰ পৰিমাণ আংশিক ভাৱে ১৩.২২ শতাংলৈ বৃদ্ধি পাইছে। কিন্তু এতিয়াও আমি গড় ভাৰতীয় অনুপাত ১৮ শতাংশ পাবলৈ বহু দূৰ যাবলগীয়া আছে।



ৰাজ্যখনত ঋণ-সঞ্চয় অনুপাত ২০০৩ চনৰ ২৯.২৭ শতাংশৰ পৰা ২০০৮ চনৰ ৫০.৪৮ শতাংশলৈ বৃদ্ধি হৈছে যদিও ২০০৯ চনৰ মাৰ্চত ইয়াৰ পৰিমাণ হ্ৰাস পাই ৪৫.৮৫ হৈছেগৈ। ভাৰতীয় ৰিজাৰ্ভ বেঙ্কে এই ব্যৱস্থাটোত আৰু অধিক ধনৰ যোগান ধৰিবলৈ ব্যৱস্থা লৈছে আৰু লিড বেঙ্ক ব্যৱস্থাটোক অধিক সক্ৰিয় কৰি গ্ৰাম্য ঋণৰ পৰিমান সৰ্বোচ্চ কৰিবৰ বাবে যৎপৰোনাস্তি চেষ্টা চলাইছে।

৮.২: সকলোবোৰ নিস্পত্তি নোহোৱাকৈ থকা আংশীদাৰী মূলধনী বৰঙণি ৰিকেপিটেলাইজেচন বৰঙণিৰ সৈতে মুকলি কৰি দিয়া হৈছে। ইতিমধ্যে অসম গ্ৰামীণ বিকাশ বেঙ্কে তেওঁলোকৰ হৈ অহা লোকচানসমূহ লাভলৈ পৰিৱৰ্তিত কৰিবলৈ সক্ষম হৈছে। ৰাজ্য চৰকাৰৰ সমবায় ঋণ গাথনি উজ্জীৱিত কৰিবৰ বাবে বৈদ্যনাথন কমিটিৰ পৰামৰ্শ মতে চৰকাৰে নাবাৰ্ড আৰু ভাৰত চৰকাৰৰ সৈতে এখন বুজা বুজিৰ চুক্তি ইতিমধ্যে স্বাক্ষৰ কৰিছে। নাবাৰ্ডে এপেক্স বেঙ্ক আৰু ৰাজ্য চৰকাৰৰ সহযোগত GPSS সমূহ শক্তিশালী কৰিবৰ বাবে ব্যৱস্থা হাতত লৈছে।

৮.৩: ৰাজ্যখনত শস্য ঋণৰ পৰিমাণ ২০০৭ চনৰ ৭৯.৪৪ কোটি টকাৰ পৰা ২০০৯ চনৰ মাৰ্চ মাহ পৰ্যন্ত ২০৩.১২ কোটি টকালৈ বৃদ্ধি পাইছে। এই বৃদ্ধিৰ পৰিমাণ আঢ়ৈ গুণতকৈ বেছি। কম সুতৰ ঋণ কৃষি উৎপাদনৰ বাবে গুৰুত্বপূৰ্ণ হোৱা হেতুকে যোৱা বছৰত মঞ্জুৰী দিয়া সকলো শস্য ঋণৰ ওপৰত সুত ৰেহাইৰ পৰিমাণ মই ৩ শতাংশলৈ বৃদ্ধি কৰিবলৈ প্ৰস্তাৱ কৰিছো। ইয়াৰ বাবে বাজেটত দুই কোটি টকা ধাৰ্য কৰা হৈছে। ইতিমধ্যে কেন্দ্ৰই প্ৰদান কৰা ৩ শতাংশ সুতৰ ৰেহাইৰ সৈতে এতিয়া আমাৰ কৃষক সকলে ২০,০০০ টকাৰ শস্য ঋণ পৰ্যন্ত মুঠ ৬ শতাংশ সুত ৰেহাই পাব।

৮.৪: হস্ততাঁতে আমাৰ ১৩ লাখতকৈয়ো আধিক লোকলৈ সংস্থান আগবঢ়াই আহিছে। এই সকলৰ বেছি ভাগেই মহিলা শিপিনি। এই খণ্ডৰ গুৰুত্ব উপলব্ধি কৰি মই শিপিনীৰ লগতে পলু পালন কৰোতা, সূতা নেচা কৰোতা আৰু সূতা কটা লোক সকললৈ নাবাৰ্ডৰ জৰিয়তে লাভ কৰা সকলো কাৰ্যক্ৰমী মূলধনী ঋণ (working capital loan) ৰ ইতিমধ্যেওপৰত ৫ শতাংশ সূতৰ হাৰ ৰেহাই দিবলৈ প্ৰস্তাৱ

কৰিছো। ইয়াৰ বাবে বজেটত এক কোটি টকাৰ প্ৰস্তাৱ কৰা হৈছে।

৮.৫: আমাৰ গাৱৰ শিল্পকৰ্মী সকলক তেখেত সকলৰ অদ্বিতীয় উদ্যোগ গঢ়ি তুলিবলৈ কাৰ্যক্ৰমী মূলধনৰ আৱশ্যক হয়। তেওঁলোকৰ ক্ষেত্ৰতো ৫ শতাংশ সুতৰ হাৰ মাফ কৰাৰ বাবে মইএইখন বাজেটত এক কোটি টকাৰ এটা প্ৰস্তাব ৰাখিছো।

৮.৬: গ্ৰাম্য গৃহ নিৰ্মাণ

গাওঁ অঞ্চলত গৃহ নিৰ্মাণৰ ওপৰত মোৰ চৰকাৰে সদায়েই প্ৰাধান্য দি আহিছে। সম্প্ৰতি বেঙ্কে অৱশ্যে গৃহ নিৰ্মাণৰ ওপৰত লোৱা ঋণৰ ওপৰত সুদৰ হাৰ হ্ৰাস কৰিছে। গাও অঞ্চলৰ গৃহ নিৰ্মাণৰ বাবে বিশেষ গুৰুত্ব দিয়াৰ অৰ্থে গাওঁ অঞ্চলৰ এক লাখ টকা পৰ্যন্ত গৃহ নিৰ্মাণৰ বাবে লোৱা সকলো ঋণৰ ওপৰত দুই শতাংশ সুত মাফ কৰাৰ প্ৰস্তাৱ কৰা হৈছে। ইয়াৰ বাবে ২০০৯-২০১০ চনৰ বাজেটত এক কোটি টকা ধাৰ্য কৰা হৈছে। তদুপৰি দৰিদ্ৰ সীমাৰেখাৰ ঠিক ওপৰৰ লোক সকলৰ বাবে ৰাষ্ট্ৰীয় হাউচিং বেঙ্কৰ সহযোগত এটা গ্ৰাম্য গৃহ নিৰ্মাণ আচনি কাৰ্যকৰী কৰাৰ বাবেও ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

৮.৭: উচ্চ শিক্ষাৰ বাবে মেধাৱী ছাত্ৰ ছাত্ৰীয়ে ৰাষ্ট্ৰীয় পৰ্যায়ৰ শিক্ষানুষ্ঠান যেনে এইমচ, আই আই টি, আই আই এম ইত্যাদি ত শিক্ষালাভৰ বাবে লোৱা ঋণৰ ওপৰত সুদৰ হাৰ মাফ কৰিবলৈ মই প্ৰস্তাৱ কৰিছো। ইয়াৰ বাবে বাজেটত এক কোটি টকাৰ প্ৰস্তাৱ কৰা হৈছে।

৯: জেণ্ডাৰ বাজেট

মাননীয় সদস্য সকলে জানে যে যোৱা বছৰ মই মুঠ ১২ টা বিভাগক সামৰি জেণ্ডাৰ বাজেটিঙ প্ৰৱৰ্তন কৰিছিলো। এই বিভাগ কেইটাই এনে কেতবোৰ আচনি ৰূপায়ণ কৰে যি বোৰৰ এশ শতাংশই মহিলাৰ বাবে। এই বছৰ জেণ্ডাৰ বাজেটিং ১৫ টা বিভাগলৈ সম্প্ৰসাৰিত কৰা হৈছে। এই আচনি সমূহৰ বিশদ বিৱৰণেৰে সৈতে এটা পৃথক প্ৰৱিৰৰণ সদনৰ মেজত ৰখা হৈছে।

১০: ফলাফল বাজেট

ক্ৰমাগত ভাৱে বৃধি হৈ অহা আমাৰ ৰাজহুৱা খৰছৰ ওপৰত মই দৃষ্টি ৰাখিছো আৰু ২০০৮-২০০৯ চনৰ প্ৰতিবেদন বিধান সভাত দাখিল



কৰা হব। আনহাতে ২০০৯-২০১০ চনৰ বাবে ফলাফল বাজেটৰ এটা প্ৰবিৱৰণ বাৰ্ষিক বিত্তীয় প্ৰবিৱৰণৰ সৈতে সদনৰ মেজত দাখিল কৰা হৈছে।

১১: নতুন পেঞ্চন আচনি

কেন্দ্ৰীয় পেঞ্চন নিয়ন্ত্ৰন কৰ্তৃ পক্ষৰ নিৰ্দেশনাৰ আধাৰত এটা নতুন পেঞ্চন আচনি প্ৰৱৰ্তন কৰিবলৈ মই সক্ৰিয় ভাৱে বিবেচনা কৰি আছো। এই আচনিয়ে ১-২-০৫ বা তাৰ পাছত চৰকাৰী কামত যোগদান কৰা সকলো কৰ্মচাৰীকে সামৰি লব। . সম্প্ৰতি তেনে নতুনকৈ কামত যোগদান কৰা কৰ্মচাৰী সকলৰ বিৱৰণ যুগুতোৱা হৈছে। ইয়াৰ বাবে ষ্টেট বেঙ্ক অব ইণ্ডিয়া (SBI), UTI, আৰু LICI য়ে পেঞ্চন মেনেজাৰ হিচাবে তেওলোকৰ বিনিয়োগ নীতি পেঞ্চন সংস্কাৰ সমিতিৰ ওচৰত দাখিল কৰিছে।

১২. দৰমহা সংশোধন

৬ষ্ঠ দৰমহা আয়োগৰ অনুমোদন মৰ্মে কেন্দ্ৰীয় চৰকাৰে তেওঁলোকৰ কৰ্মচাৰী সকলৰ দৰমহাৰ গাথনি সংশোধন কৰিছে। আন কেইখন মান ৰাজ্যয়ো ইতিমধ্যে তেওঁলোকৰ কৰ্মচাৰী সকলৰ দৰমহাৰ সংশোধনৰ কথা ঘোষণা কৰিছে। আমিও আমাৰ কৰ্মচাৰী সকলৰ বাবে ৰাজ্যিক দৰমহা আয়োগ গঠন কৰিছো আৰু আয়োগৰ ম্যাদ ২০০৯ চনৰ ৩১ আগষ্ট পৰ্যন্ত বৃদ্ধি কৰিছে। আমাৰ চৰকাৰী কৰ্মচাৰী সকলে কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীৰ সমহাৰত দৰমহা বিচাৰি আহিছে। মই কেন্দ্ৰীয় চৰকাৰৰ দৰমহাৰ গাথনি (pay sacle) আমাৰ কৰ্মচাৰী সকলৰ বাবেও প্ৰযোজ্য হোৱাকৈ গ্ৰহণ কৰিম বুলি সিদ্ধান্ত লৈছো। ইয়াৰ ফলত আমাৰ কৰ্মচাৰী সকলৰ এটি দীৰ্ঘদিনীয়া দাবী দূৰ হব বুলি মই আশা কৰিছো। অসম দৰমহা আয়োগৰ প্ৰতিবেদন পোৱাৰ পিছত এই সম্পৰ্কীয় আন বিষয় সমূহৰ ওপৰত সিদ্ধান্ত লোৱা হব। চলিত বছৰৰ সংশোধিত দৰমহাৰ বাবে হবলগীয়া ব্যয়ৰ বাবদ ২০০৯-২০১০ চনৰ বাজেটত ৩৩৮২ কোটি টকা ৰখাৰ প্ৰস্তাৱ কৰিছো ।

১৩: বাৰ্ষিক পৰিকল্পনা ২০০৯-২০১০

মাননীয় সদস্য সকলে জানে যে দশম পৰিকল্পনা ২০০৭ চনৰ ৩১ মাৰ্চত অন্ত পৰে। ২০০৭ চনৰ এক এপ্ৰিলৰ পৰা একাদশ পঞ্চবাৰ্ষিক

পৰিকল্পনা আৰম্ভ হৈছে। এই পঞ্চবাৰ্ষিক পৰিকল্পনাত অসমৰ বাবে অনুমোদিত ধনৰ পৰিমাণ হল ২৩,৯৫৪ কোটি টকা। ২০০৮-২০০৯ চনৰ বাৰ্ষিক পৰিকল্পনাৰ সংশোধিতধনৰ পৰিমাণ আছিল ৫০৪০ কোটি টকা। সদ্য সমাপ্ত লোক সভাৰ নিৰ্বাচন আৰু নিৰ্বাচনী বিধি ব্যৱস্থা বলৱৎ হৈ থকাৰ পৰিপ্ৰেক্ষিতত ২০০৯-২০১০ চনৰ বাৰ্ষিক পৰিকল্পনা খন এতিয়াও চূড়ান্ত হোৱা নাই। মই পৰিকল্পনা আয়োগৰ উপাধ্যক্ষৰ সৈতে মিলিত হোৱাৰ পাছতহে ২০০৯-২০১০ চনৰ বাৰ্ষিক পৰিকল্পনা খন চূড়ান্ত কৰা হব। তৎস্বত্ত্বেও ২০০৯-২০১০ চনৰ এইখন বাজেটত পৰিকল্পনাৰ শিতানত মুঠ ৫৫০০ কোটি টকা ধাৰ্য কৰা হৈছে। এইটো সাময়িক হিচাবহে ধৰা হৈছে আৰু পৰিকল্পনা আয়োগৰ উপাধ্যক্ষৰ সৈতে আলোচনা হোৱাৰ পাছত ই বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে।

যোৱা বছৰ মই পৰিকল্পনাৰ ধন মোকলোৱাৰ ব্যৱস্থা টো সৰলীকৰণ কৰাৰ লগতে বিভাগ সমূহৰ বিত্তীয় ক্ষমতা যথেষ্ট পৰিমাণে বৃদ্ধি কৰিছিলো। এই বছৰ মই এই ব্যৱস্থা টো আৰু অধিক সৰলীকৰণ কৰি বৰ্তমানৰ চিলিঙ ব্যৱস্থাৰ সলনি প্ৰতি তিনি মাহৰ মূৰে মূৰে পৰিকল্পনাৰ ধন বিভাগ সমূহলৈ মোকলাই দিয়াৰ ব্যৱস্থা কৰি আছো। এনেদৰে মোকলাই দিয়া ধন প্ৰতি ডিচেম্বৰ মাহৰ শেষত পৰ্যালোচনা কৰা হব। যি সমূহ বিভাগে ধন ব্যৱহাৰ কৰিবলৈ সক্ষম হোৱা নাই সেই সমূহ বিভাগৰ পৰা অব্যবহৃত ধন কাটি আনি সফলতাৰে কাম কৰা বিভাগ সমূহলৈ হস্তান্তৰ কৰা হব। এই ক্ষেত্ৰত মই ধনৰ ব্যৱহাৰৰ কেৱল সংখ্যাগত দিশততে আৱদ্ধ নাৰাখি ইয়াৰ গুণগত দিশ আৰু অপব্যয় এৰি চলাৰ ওপৰতো বিশেষ গুৰুত্ব দিম। যি কোনো ধৰণৰ বিত্তীয় অনিয়মৰ বাবে কঠোৰ ব্যৱস্থা লবলৈ মই ইতস্ততঃ নকৰিম।

সম্প্ৰতি অনুসূচীত জাতিৰ উপ পৰিকল্পনাৰ বাবে ১১০ কোটি টকা ধাৰ্য কৰা হৈছে আৰু পাৰ্বত্য এলেকাকে ধৰি জনজাতীয় উপ পৰিকল্পনাৰ অধীনত, স্বায়ত্ব শাসিত পৰিষদ, বিটিচি আৰু আন আন শিতানত মুঠ আৱণ্টন দিয়া ধনৰ পৰিমাণ হল ৫৭৫.৯০ কোটি টকা। মই মাননীয় সদস্য সকলক এই কথা জনাবলৈ পাই সুখী হৈছো যে জনজাতীয় উপ পৰিকল্পনা আৰু অনুসূচীত জাতিৰ উপ পৰিকল্পনাৰ বাবে আবণ্টিত ধন সম্পূৰ্ণ ৰূপে উন্নয়ন মূলক কামত ব্যৱহাৰ কৰিব পাৰিব। অতিৰিক্ত কেন্দ্ৰীয় সাহাৰ্য আৰু বিশেষ পৰিকল্পনাৰ আৱণ্টনৰ



ধন বাৰ্যিক পৰিকল্পনা চূড়ান্ত হোৱাৰ পাছতহে নিৰ্দ্ধাৰণ কৰা হব।

**১৪: ষষ্ঠ অনুসূচীৰ জিলা সমূহঃ**

**১৪.১ পাহাৰীয়া জিলা দু খন**

দুয়োখন পাহাৰীয়া স্বায়ত্ব শাসিত জিলা পৰিষদৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে সৰ্বোচ্চ অগ্ৰাধিকাৰ দিয়া হব। কাৰ্বি আংলঙ স্বায়ত্ব শাসিত জিলা। পৰিষদৰ বাবে পৰিকল্পনাৰ আবণ্টিত ধন ২০০৮-০৯ চনত ধাৰ্য কৰা ১৭৩.৪ কোটি টকাৰ পৰা ২০০৯-২০১০ চনত ১৮৬.৩০ কোটিলৈ বৃদ্ধি কৰা হৈছে। একেদৰে উত্তৰ কাছাৰ স্বায়ত্ব শাসিত জিলা পৰিষদলৈ আবণ্টিত ধন ৭৫.৪৭ কোটিৰ পৰা ২০০৯-২০১০ চনত ৮০.৯৯ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। উক্ত পূজিৰ ওপৰিও জিলা পৰিষদ দুখনে কেন্দ্ৰীয় পুজিৰ অংশ আগৰ দৰেই লাভ কৰিব। ঝুম খেতিৰ অঞ্চল সমূহত Integrated Jhumia Development Programme আৰু Watershed Development project জৰিয়তে কৃষি খণ্ডত বিশেষ, অগ্ৰাধিকাৰ দিয়া হব। অসমৰ পাৰ্বত্য জিলা দুখনত মই এখন চিকিৎসা মহাবিদ্যালয় গৱেষণা অনুষ্ঠান আৰু এখন অভিযান্ত্ৰিক মহাবিদ্যালয় স্থাপন কৰাৰ প্ৰস্তাৱ কৰিছো।

**১৪.২ বিটিচি**

বিটিচিয়ে হাতত লোৱা উন্নয়নমূলক কাৰ্য সমূহৰ পৰিপ্ৰেক্ষিতত মই বিটিচিৰ বাবে পৰিকল্পনাৰ ধন ২০০৮-০৯ চনৰ ১৫০ কোটি টকাৰ পৰা চলিত বছৰত ১৬৫ কোটি টকালৈ বৃদ্ধি কৰিবলৈ প্ৰস্তাৱ কৰিছো। ইয়াৰ ওপৰিও ৰাজ্য আৰু কেন্দ্ৰৰ বিভিন্ন আচনিৰ অধীনত পাবলগীয়া অংশ তেওঁলোকে পাব। বি টি এ ডিৰ বাবে বিশেষ কেন্দ্ৰীয় পেকেজৰ পৰিসৰ আতিৰিক্ত ২৫০ কোটি টকাৰে বৃদ্ধি কৰা হৈছে।

যোৱা ২৭-০২-২০০৯ তাৰিখে এই পবিত্ৰ সদনে পাছ কৰা বড়োলেণ্ড বিশ্ব বিদ্যালয় আইনখন বলৱৎ কৰিবলৈ ব্যৱস্থা লোৱা হৈছে। কোকৰাঝাৰত এটা তাৰকামণ্ডল স্থাপন কৰিবৰ বাবে প্ৰয়োজনীয় ধন এই বছৰৰ বাজেটৰ পৰা মোকলাই দিয়া হব।

১৪.৩:

বিভিন্ন থলুৱা জনগোষ্ঠীৰ আৰ্থ সামাজিক দিশত সৰ্বাঙ্গীন উন্নতিৰ

অৰ্থে ছয় খন আইনগত স্বায়ত্ব শাসিত পৰিষদ গঠন কৰা হৈছিল। এই পৰিষদ কেইখনৰ বাবে আৱণ্টিত ধনৰ পৰিমান যোৱা বছৰৰ ৯৩.০০ কোটি টকাৰ পৰা চলিত বছৰত ১০১.৭৪ কোটি টকালৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ কৰিছো। পৰিষদ অনুসৰি আৱণ্টিত ধনৰ পৰিমাণ হল -

| | |
|---|---|
| ৰাভা হাচং স্বায়ত্বশাসিত পৰিষদ - | ১৯.৩৬ কোটি |
| মিচিং স্বায়ত্বশাসিত পৰিষদ | ২৬.৬২ কোটি |
| তিৱা স্বায়ত্বশাসিত পৰিষদ | ১৮.৭৭ কোটি |
| সোনোৱাল কছাৰী স্বায়ত্বশাসিত পৰিষদ | ১২.৫০ কোটি টকা |
| ঠেঙ্গাল কছাৰী স্বায়ত্বশাসিত পৰিষদ | ১২.০০ কোটি টকা |
| দেউৰী স্বায়ত্বশাসিত পৰিষদ | ১২.৪৯ কোটি টকা |

১৪.৪ আন সাতখন উন্নয়ন পৰিষদ

মই যোৱা বাজেট বক্তৃতাৰ সময়ত মৰাণ, মটক , আহোম, চুতীয়া, কোচ ৰাজবংশী , চাহ জনগোষ্ঠী আৰু গোৰ্খা সকলৰ বাবে সাতখন উন্নয়ন পৰিষদ গঠন কৰাৰ কথা কৈছিলো। চলিত বিত্তীয় বৰ্ষতে উক্ত পৰিষদ কেই খন কাৰ্যকৰী কৰা হব। ইয়াৰো পৰি মই শৰণীয়া কছাৰী আৰু আমৰি কাৰ্বি সকলৰ বাবে দুখন উন্নয়ন পৰষিদ গঠনৰ বাবে প্ৰস্তাৱ কৰিছো।ইয়াৰ বাবে বাজেটত মই ২৬ কোটি টকা ধাৰ্য কৰি প্ৰস্তাৱ ৰাখিছো।

১৫ জনজাতীয় উপ পৰিকল্পনা

জনজাতীয় আৰু অনুসূচীত জাতিৰ লোক সকলৰ কল্যানৰ বাবে এইবাৰৰ বাজেটত মই অধিক ধন ধাৰ্য কৰাৰ প্ৰস্তাৱ কৰিছো। জনজাতীয় উপপৰিকল্পনাৰ বাবে যোৱা বছৰৰ ৩৮.১৪ কোটিৰ বিপৰীতে এই বছৰ ৪১.৯৫ কোটি টকা আৰু অনুসূচীত জাতিৰ উপ পৰিকল্পনাৰ বাবে যোৱা বছৰৰ ১০১ কোটি টকাৰ পৰিবৰ্তে এই বছৰ ১১০ কোটি টকা ধাৰ্য কৰিবলৈ মই প্ৰস্তাৱ কৰিছো । ইয়াৰোপৰি অসম ভৈয়াম জনজাতি উন্নয়ন নিগমে তেওঁলোকৰ দীৰ্ঘদিন ধৰি অনাদায় হৈ থকা প্ৰভিডেণ্ট ফাণ্ড আৰু দৰমহাৰ জোৰা মাৰিবৰ বাবে সুকীয়াকৈ ৭ কোটি টকাৰ সাহাৰ্য আগবঢ়োৱা হৈছে ।



২০০৭- ০৮ চনৰ পৰাই মোৰ চৰকাৰে অনুসূচীত জাতি, জনজাতি তথা অন্যান্য পিচপৰা শ্ৰেণীৰ লোকে বসবাস কৰা অঞ্চল সমূহত সকলো বতৰতে ব্যৱহাৰ কৰিব পৰাকৈআলিবাট নিৰ্মানৰ বাবে ৭৩.২২ কোটি টকাৰ এখন আঁচনিৰ কাম আৰম্ভ কৰিছিল। এই বছৰ এই কামৰ বাবে ২০.০০ কোটি টকা ধাৰ্য কৰা হৈছে।

যি সকল চাফাই কৰ্মচাৰীয়ে হাতেৰে চাফাই কাম কৰে তেখেত সকলৰ পুনঃ সংস্থাপনৰ বাবে এখন আঁচনি ইতিমধ্যে চলি আছে আৰু সেইখন কাৰ্যকৰী কৰি ৰখা হব।

অনুসূচীত জাতিৰ উপপৰিকল্পনাৰ ওপৰিও বাজেটত মই এই বাৰ অনুসূচীত জাতি প্ৰধান জিলা সমূহত একোটাকৈ ডঃ অম্বেডকাৰ ভৱন নিৰ্মানৰ বাবে মুঠ ১৬.৩০ কোটি টকা ধাৰ্য কৰিছো।

**১৬: চাহ জনগোষ্ঠীৰ কল্যান**

চাহ জনগোষ্ঠী সকল হল অসমৰ সামাজিক তথা সাংস্কৃতিক জীৱনৰ এক অবিচ্ছেদ্য অঙ্গ। তেখেত সকলৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে মোৰ চৰকাৰ দায়বদ্ধ। ইতি মধ্যে তেখেত সকলৰ কল্যানৰ অৰ্থে যিবোৰ আচনি চলি আহিছে সেই আটাইবোৰ আঁচনি এইবছৰো চলি থাকিব আৰু তাৰ বাবে বাজেটত মই ২৯ কোটি টকা ধাৰ্য কৰাৰ প্ৰস্তাৱ কৰিছো।

**১৭: সংখ্যালঘু সকলৰ কল্যান**

সংখ্যালঘু সকলৰ কল্যানৰ অৰ্থে কেন্দ্ৰীয় চৰকাৰে আগবঢ়োৱা আচনি সমূহ অসমতো কাৰ্যকৰী কৰা হৈছে। এই আচনি সমূহৰ ভিতৰত মাল্টি চেক্টৰেল ডিষ্ট্ৰিক্ট ডেভেলপমেণ্ট প্লেন এখন গুৰুত্বপূৰ্ণ আচনি। অসমৰ সংখ্যালঘূ বসতিপ্ৰধান ১৩ খন জিলাত এই আচনি বলবৎ কৰা হৈছে আৰু ইয়াৰ বাবে যোৱা বছৰ ২৩৯.১৯ কোটি টকা মোকলাই দিয়া হৈছে। মই আশা কৰো ভাৰত চৰকাৰে এইবছৰ এই আচনিৰ ৰূপায়নৰ বাবে ধনৰ পৰিমাণ বৃদ্ধি কৰিব । ইয়াৰ উপৰিও মই অসম বিকাশ আচনিৰ অধীনত বিশেষ ক্ষেত্ৰ ভিত্তিক আচনি ৰূপায়ন কৰিবৰ বাবে এইবাৰৰ বাজেটত ৮৩লাখ টকাৰ প্ৰস্তাৱ কৰিছো আৰু সংখ্যা-লঘূ শিক্ষা আয়োগ গঠনৰ প্ৰস্তাৱ কাৰ্যকৰী কৰিবৰ বাবে পাচ লাখ টকা ধাৰ্য কৰিছো। এই আটাইবোৰ ব্যৱস্থাই ৰাজ্যখনৰ সংখ্যালঘূ

জনসাধাৰণৰ উন্নতি সাধিব বুলি মোৰ বিশ্বাস। বাজেটত সংখ্যালঘূ উন্নয়ন পৰিযদৰ বাবেও ৭ কাটি টকা ধাৰ্য কৰা হৈছে। সংখ্যালঘূ সকলৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে নীতি নিৰ্দ্ধাৰণ কৰিবলৈ আৰু দিহা পৰামৰ্শ দিবলৈ মই এখন সংখ্যালঘূ উন্নয়ন পৰিষদ গঠনৰ সিদ্ধান্ত লৈছো। ৰাজ্যিক ৱাকফ বৰ্ডৰ বাবে ১০ কোটি টকাৰ অনুদান এটা দিয়াৰ সিদ্ধান্ত ইতিমধ্যে লৈছো আৰু তাৰে এক কোটি টকা ইতিমধ্যে মোকলাই দিয়া হৈছে।

**১৮ : চৰ অঞ্চলৰ উন্নয়ন**

আমাৰ চৰ অঞ্চলৰ বাইজে সন্মুখীন হোৱা সমস্যা বোৰ বিশেষ ধৰণ ৰ। এই সমস্যা সমূহ সমাধানৰ অৰ্থে তথা চৰ অঞ্চলৰ উন্নয়নৰ বাবে এইবাৰৰ বাজেটত মই ২৪.২০ কোটি টকাৰ প্ৰস্তাৱ ৰাখিছো। পৰিকল্পনাৰ শিতানৰ পৰা ১০ কোটি টকা অতিৰিক্ত ধৰা হৈছে অঞ্চল অনুসৰি বিশেষ আচনি ৰূপায়ণৰ বাবে। চৰ অঞ্চলত চলি থকা জৰীপ কাৰ্যৰ বাবেও বাজেটত ১০.৫২ কোটি টকাৰ প্ৰস্তাৱ ৰখা হৈছে।

**১৯: সীমান্ত অঞ্চল উন্নয়ন**

সীমান্ত অঞ্চ লৰ উন্নয়নৰ সৈতে আমাৰ অৰ্থনীতি বিকাশৰ কথাটোও সাঙোৰ খাই আছে। সন্ত্ৰাসবাদী কাৰ্যকলাপ বেছিভাগ ক্ষেত্ৰতেই এই অনুন্নত তথা ভিতৰুৱা অঞ্চল সমূহৰ পৰাই পৰিচালিত হয়। এই অঞ্চলৰ জনসাধাৰণৰ বাবে আন্তঃগাথনি আৰু অন্যান্য মৌলিক সা-সুবিধা সমূহ অগ্ৰাধিকাৰ ভিত্তিত ব্যৱস্থা কৰাটো অতি প্ৰয়োজন। সেই বাবে এইবাৰৰ বাজেটত মই ৪০.৭০ কোটি টকা ৰ প্ৰস্তাৱ কৰিছো । যোৱা বছৰ ইয়াৰ পৰিমাণ আছিল ২৪.৫২ কোটি টকা।

**২০ :আভ্যন্তৰীন নিৰাপত্তা আৰু আৰক্ষীৰ সবলীকৰণ**

ৰাজ্যখনত সন্ত্ৰাসবাদী সমস্যাটো সমাধানৰ অৰ্থে মই একাধিক দিশত ব্যৱস্থা গ্ৰহণ কৰিছো। এহাতে সক্ৰিয় সন্ত্ৰাসবাদী সকলৰ বিৰুদ্ধে অভিযান চলাই ৰাখিছো আৰু আনহাতে যি সমূহ গোটে আলোচনাৰ মেজলৈ আহি সমস্যাৰ সমাধান হোৱাটো বিচাৰে তেওলোকক শান্তিৰ প্ৰক্ৰিয়াত অন্তৰ্ভূক্ত কৰিছো। ফল স্বৰূপে ৰাজ্যখনৰ আইন- শৃঙ্খলা পৰিস্থিতিৰ যথেষ্ট উন্নতি হৈছে।



আৰক্ষীৰ সবলীকৰণৰ বাবে মই তিনিটা দিশত ব্যৱস্থা গ্ৰহণ কৰিছো। সেয়া হল ১) আৰক্ষীৰ আধুনীকিকৰণ , ২) নতুন আৰক্ষী থানা তথা আৰক্ষী গোট স্থাপন কৰা আৰু, ৩) ইমান দিনে খালিহৈ থকা পদ সমূহ পূৰণ কৰা। ইতিমধ্যে ৪৪ টা নতুন পুলিচ থানা স্থাপন কৰা হৈছে। ইয়াৰে ১৮ টা চৰ অঞ্চলত । ছটা নতুন পুলিচ চকীও স্থাপন কৰা হৈছে। যোৱা বছৰ মুঠ ১০৭৬ টা নতুন পদ সৃষ্টি কৰা হৈছিল আৰু চলিত বছৰত গুৱাহাটীত মুঠ ৮০০ টা বিভিন্ন ধৰণৰ পদবী সৃষ্টি কৰাৰ প্ৰস্তাৱ আছে। আধুনিকীকৰণৰ ক্ষেত্ৰত আধুনিক যন্ত্ৰ পাতি কিনিবৰ বাবে যোৱা বছৰত মুঠ ৫.১৫ কোটি টকা ব্যয় কৰা হৈছে।

আমি সীমান্তৰ সিপাৰৰ পৰা হোৱা প্ৰবজন বন্ধ কৰিবৰ বাবে যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিছো। সীমান্তৰ কাটা তাঁৰৰ বেৰ নিৰ্মাণৰ ক্ষেত্ৰত সৰ্বোচ্ছ অগ্ৰাধিকাৰ দিয়া হৈছে।

মই গুৱাহাটী মহানগৰৰ অপৰাধ অনুসন্ধান গোট আৰু আইন শৃঙ্খলা বজাই ৰখাত নিয়োজিত গোট দুটা পৃথক কৰিব বিচাৰিছো আৰু বৰ্তমানে কৰ্ত্তব্যৰত পুলিচ বিষয়া কৰ্মচাৰী সকলৰ নিয়োজন বিজ্ঞান সন্মত কৰিব বিচাৰিছো।

এই বছৰৰ বাজেটত আৰক্ষীৰ আধুনীকিকৰণৰ বাবে ১১৫ কোটি টকাৰ প্ৰস্তাৱ কৰা হৈছে। যোৱা তিনি বছৰত বিভিন্ন খালি হৈ থকা পদত নতুকৈ নিয়োজিত পুলিচ কৰ্মচাৰীৰ সংখ্যা হল ১১,০৩৭ জন। ২৪ নং অসম পুলিচ [IR] বেটেলিয়ন আৰু ২৫ নং অসম পুলিচ ( ONGC) বেটেলিয়ন গঠন কৰাৰ কামো আৰম্ভ কৰা হৈছে। যোৱা বছৰ আমি অসম উদ্যোগিক নিৰাপত্তা বাহিনী আৰু ২৩ নং অসম পুলিচ বেটেলিয়নত মুঠ দুটা বেটেলিয়ন সংযোজন কৰিছো। যোৱাটো বছৰতে আমি ১৮টা নতুন অগ্নি নিৰ্বাপক কেন্দ্ৰ স্থাপন কৰিলো আৰু চলিত বছৰত তেনে আৰু ১৮টা কেন্দ্ৰ স্থাপনৰ বাবে প্ৰস্তাৱ কৰিছো। মাননীয় সদনক মই জনাব খোজো যে ৰাজ্যখনৰ শিৱসাগৰ, কৰিমগঞ্জ, ধুবুৰী আৰু উত্তৰ লক্ষীমপুৰ জিলাত মই পৰ্যায় ক্ৰমে চাৰি খন দুমহলীয়া কাৰাগাৰ স্থাপন কৰাৰ প্ৰস্তাৱ কৰিছো আৰু ইয়াৰ বাবে এইবাৰৰ বাজেটত ১.৫০ কোটি টকা ধাৰ্য কৰা হৈছে।

## ২১: নিবনুৱা সমস্যা

নিবনুৱা সমস্যাই আমাৰ বাবে ক্ৰমান্বয়ে জটিল ৰূপ ধাৰণ কৰিছে। নিয়োগ সৃষ্টিৰ ক্ষেত্ৰত মই সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছো আৰু বিভিন্ন ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছো। ৰাজ্যৰ সাত খন উদ্যোগিক প্ৰশিক্ষণ কেন্দ্ৰত নিয়োগৰ সম্ভাৱনা জড়িত পাঠ্যক্ৰমৰ ব্যৱস্থা কৰা হৈছে। এই প্ৰতিটো পাঠ্যক্ৰম ৰ বাবে ৩.৫ কোটিকৈ টকা মোকলাই দিয়া হৈছে। মই ITI আৰু অন্যান্য বহুমুখী প্ৰতিষ্ঠান সমূহত আসন বৰ্তমানতকৈ দুগুনৰো অধিক কৰিবলৈ প্ৰস্তাৱ ৰাখিছো। CII, FINER আৰু ABITA ৰ দৰে সংস্থা সমূহৰ সহযোগত ৰাজ্যখনত নিয়োগৰ সম্ভৱনা বৃদ্ধি কৰি উন্নয়নৰ হাৰ দ্ৰুত কৰাৰ কথাও চিন্তা কৰিছো। ইয়াৰোপৰি বৰ্তমানে চলি থকা নিয়োগ সৃষ্টি আচনি সমূহো চলি থাকিব। এই খিনিতে মই মাননীয় সদনক এইটো জনাই থব খোজো যে ইতিমধ্যে মুঠ ৮৯ টা তালিকা ভূক্ত নিয়োগৰ ক্ষেত্ৰত মজুৰি নিৰ্দ্ধাৰণ অথবা সংশোধন কৰা সম্পূৰ্ণ হৈছে।

স্বনিয়োজনৰ সুবিধা সৃষ্টি কৰাৰ উদ্দেশ্যে মই এইখন বাজেটত ১৩.২৩ কোটি টকাৰ প্ৰস্তাৱ কৰিছো। মহিলা আৰু যুৱক সকলৰ উপযোগী হোৱাকৈ প্ৰয়োজনীয় নীতি নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত পৰামৰ্শ আগবঢ়াবৰ বাবে মই দুখন উন্নয়ন পৰিষদ গঠনৰ বাবে প্ৰস্তাৱ আগবঢ়াইছো আৰু বাজেটত ইয়াৰ বাবে যথাক্ৰমে ৩৫ লাখ আৰু ১০ লাখ টকা ধাৰ্য কৰা হৈছে। ইয়াৰ ওপৰিও মহিলা উদ্যোগী সকলৰ মাজত সমন্বয় স্থাপনৰ উদ্দেশ্যে এখন পৰিষদ স্থাপনৰ বাবে বাজেটত ২৫ লাখ টকা ধৰা হৈছে।

## ২২: শিক্ষা ঃ

শিক্ষাৰ ক্ষেত্ৰত প্ৰচলিত আচনি সমূহ সফলতাৰে চলাই ৰাখি শিক্ষাৰ গুণগত মানদণ্ড উন্নত কৰাটোৱেই মোৰ চৰকাৰৰ প্ৰধান লক্ষ্য।

### ২২.১ প্ৰথমিক শিক্ষা

প্ৰাথমিক শিক্ষা ৰ ক্ষেত্ৰত সৰ্বশিক্ষা অভিযান আৰু মিড ডে মিল এই দুখন গুৰুত্ব পূৰ্ণ আচঁনি। চলিত বছৰতো এই দুখন আচনি চলাই ৰখাৰ বাবে পৰিকল্পনাৰ বাজেটত ১১৫.৯০ কোটি টকাৰ প্ৰস্তাৱ কৰা হৈছে। চৰ অঞ্চল, চাহ বাগিছা সমূহত আৰু অনুসূচীত জাতি



তথা জনজাতি অধ্যুষিতঅঞ্চল সমূহত প্ৰাথমিক শিক্ষাৰ প্ৰসাৰৰ প্ৰতি চৰকাৰে সদায়েই চকু দি আহিছে। চৰকাৰে ছোৱালীৰ শিক্ষাৰ প্ৰসাৰৰ বাবেও অনতি পলমে এখন আচনি প্ৰৱৰ্তন কৰাৰ বাবে দিহা কৰিছে।

### ২২.২ : মাধ্যমিক শিক্ষা

মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত চলি থকা আচনি সমূহৰ ওপৰিও ছাত্ৰী সকলৰ জলপানীৰ বাবে এটা প্ৰস্তাৱ আগবঢ়াইছো। বহুবোৰ বেচৰকাৰী মাধ্যমিক বিদ্যালয় আৰ্থিক দুৰৱস্থাত ভুগি আছে। এনে বিদ্যালয় সমূহৰ বাবে মই আৰ্থিক অনুদান আগবঢ়োৱা ৰ প্ৰস্তাব কৰিছো। অসম বিকাশ যোজনাৰ অধীনত মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত বিভিন্ন আচনি কাৰ্যকৰী কৰিবৰ বাবে এইবাৰৰ বাজেটত মই ৪৪.০০ কোটি টকাৰ প্ৰস্তাৱ কৰিছো। চলিত বিত্তীয় বৰ্ষতো আনন্দৰাম বৰুৱা বটাঁ প্ৰদানৰ ব্যৱস্থা ৰখা হৈছে।

মাদ্ৰাছাৰ পৰা পাছ কৰা ছাত্ৰ সকলৰ নিয়োগৰ সম্ভাৱনা বৃদ্ধি কৰিবৰ বাবে মই মাদ্ৰাছা সমূহৰ পাঠ্যক্ৰম আধুনিকীকৰণ আৰু কৰ্ম সংস্থানমুখী কৰাৰ ওপৰত গুৰুত্ব দিছো। এনে ব্যৱস্থা গ্ৰহণ কৰা মাদ্ৰাছা বোৰক বিশেষ আৰ্থিক সাহাৰ্য দিয়াৰ কথাও বিবেচনা কৰিছো। ইয়াৰ বাবে মাদ্ৰাছা সঞ্চালকালয়কে ধৰি কেবাটাও ব্যৱস্থা লোৱা হৈছে। চলিত বছৰত মাদ্ৰাছা সমূহত ছাত্ৰী জিৰণি কোঠা স্থাপনকে ধৰি স্বীকৃতি প্ৰাপ্ত মাদ্ৰাছা সমূহলৈ আৰ্থিক অনুদান আগবঢ়াবলৈও প্ৰস্তাৱ ৰাখিছো।

মই প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ মানদণ্ড উন্নত আৰু ফলপ্ৰসু কৰাৰ বাবে আৰু এই ক্ষেত্ৰত নীতি উদ্ভাৱনৰ বাবে পৰামৰ্শ দিবৰ বাবে এখন আয়োগ গঠনৰ প্ৰস্তাৱ ৰাখিছো।

### ২২.৩: উচ্চ শিক্ষা

বিভিন্ন উদ্যোগিক আৰু ব্যৱসায়িক অনুষ্ঠান প্ৰতিষ্ঠানে শিক্ষানুষ্ঠান সমূহত অনুষ্ঠিত কৰা সাক্ষাৎকাৰত উত্তীৰ্ণ হব পৰাকৈ যুৱক সকলক প্ৰস্তুত কৰিবৰ বাবে কলেজ সমূহত এটাকৈ প্ৰশিক্ষণ আৰু সংস্থাপন কোষ সৃষ্টি কৰা হব। অভিযান্ত্ৰিক মহাবিদ্যালয় দুখনত আসনৰ সংখ্যা আৰু ৩০০ খনকৈ বৃদ্ধি কৰাৰ বাবে প্ৰস্তাৱ কৰা হৈছে। । অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ত computer engineering, electronic engineering আৰু information technology ৰ পাঠ্যক্ৰম প্ৰৱৰ্তন কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছে।

ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ সহযোগত চিকিৎসা,অভিযান্ত্ৰিক আৰু অন্যান্য ব্যৱসায়মুখী মহাবিদ্যালয় স্থাপন কৰাটো চৰকাৰে নীতি হিচাবে গ্ৰহণ কৰিছে ।

ব্যক্তিগত বিশ্ববিদ্যালয় আইন খন বলৱৎ কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছে যাতে ছাত্ৰ ছাত্ৰী সকলে উচচ শিক্ষাৰ বাবে অসমৰ বাহিৰলৈ ওলাই যোৱাৰ প্ৰয়োজন নহয়। কোকৰাঝাৰ আৰু বৰাক উপত্যকাত স্থাপনকৰিবলগীয়া অভিযান্ত্ৰিক মহাবিদ্যালয় দুখনৰ কাম কাজ চলিত বছৰতে আৰম্ভ হব। গুৱাহাটী বিশ্ববিদ্যালয়ৰ কোকৰাঝাৰ পীঠৰ উন্নীতকৰণৰ কৰি The Bodoland University Act 2009 খন কাৰ্যকৰী কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

সম্প্ৰতি গুৱাহাটী বিশ্ববিদ্যলয়ে লাভ কৰা স্বাভাৱিক পূজিৰ ওপৰিও বিৰিঞ্চি কুমাৰ বৰুৱা প্ৰেক্ষাগৃহৰ উন্নয়ন আৰু মেৰামতিৰ বাবে অতিৰিক্ত দুই কোটি টকা অনুদান আগবঢ়োৱাৰ প্ৰস্তাৱ ৰাখিছো।

মোম্বাইৰ SNDT বিশ্ববিদ্যালয়ে দৰে মহিলাৰ বাবে এখন সুকীয়া বিশ্ববিদ্যালয় স্থাপনৰ বাবেও মই প্ৰস্তাৱ আগবঢ়াইছো আৰু ইয়াৰ বাবে যাৱতীয় পূজিৰ যোগান ধৰা হব।

আধুনিক অৰ্থনীতিক যথোপযুক্ত ভাৱেই জ্ঞানৰ অৰ্থনীতি বুলি অভিহিত কৰা হয় কাৰণ ই ক্ৰমাগত ভাবে অধিক কৌশল, সেৱা আৰু উচ্চ প্ৰযুক্তিৰ ওপৰত নিৰ্ভৰশীল হৈ গৈ আছে । এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনৰ শিক্ষা নীতিৰ ক্ষেত্ৰত প্ৰয়োজনীয় পৰামৰ্শৰ দিবৰ বাবে এখন জ্ঞান আয়োগ গঠন কৰাৰ বাবে মই প্ৰস্তাৱ আগবঢ়াইছো।

মই শিক্ষা খণ্ডত ২০০৮-২০০৯ চনত ধাৰ্য কৰা ৪২০৭.৪১ কোটি টকাৰ ঠাইত ২০০৯-২০১০ চনৰ বাজেটত ৪৭১৩.৮৯ কোটি টকা ধাৰ্য কৰাৰ প্ৰস্তাৱ ৰাখিছো।

## ২৩: ক্ৰীড়া আৰু যুৱ কল্যান

যুৱক সকলৰ সৰ্বাঙ্গীন বিকাশৰ বাবে মই পৰিকল্পনাৰ শিতানত ৫.৮৩ কোটি টকাৰ প্ৰস্তাৱ আগবঢ়াইছো। এই ক্ষেত্ৰত কেবাটাও উন্নয়ন মূলক আচনি লোৱা হৈছে - তাৰ ভিতৰত উত্তৰ লক্ষীমপুৰত এটা



ইনডৰ ষ্টেডিয়াম নিৰ্মাণ আৰু যোৰহাটতত এটা সাতোৰ প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন আদি উল্লেখযোগ্য। অসমত লক্ষ্মীভাই ৰাষ্ট্ৰীয় শাৰিৰীক শিক্ষা বিশ্ববিদ্যালয়ৰ এটা পীঠ স্থাপন কৰাৰ বাবেও প্ৰচেষ্টা চলাই থকা হৈছে। ক্ৰীড়াবিদ সকলৰ কল্যানৰ বাবে তেখেত সকলৰ বিপদৰ সময়ত ব্যৱহাৰ হব পৰাকৈ এটা বিশেষ পূজি গঠন কৰা হব। ইয়াৰ বাবে এইবাৰৰ বাজেটত এক কোটি টকাৰ প্ৰস্তাৱ আগবঢ়োৱা হৈছে। ক্ৰীড়া আৰু যুৱ কল্যান বিভাগে এই বিষয়ত প্ৰয়োজনীয় নীতি নিৰ্দেশনা নিৰ্দ্ধাৰণ কৰিব।

## ২৪: কলা আৰু সাংস্কৃতিক বিভাগ

আমাৰ ৰাজ্যখনৰ বাবে ৰহনীয়া সংস্কৃতি সংৰক্ষণ কৰাটো অতীব প্ৰয়োজন। ইয়াৰ বাবে মই এইবাৰৰ বাজেটত পৰিকল্পনাৰ শিতানত ২০.১১ কোটি টকাৰ প্ৰস্তাৱ আগবঢ়াইছো। এই ক্ষেত্ৰত লবলগীয়া কেইটামান গুৰুত্বপূৰ্ণ কাম হল তেজপুৰৰ জ্যোতি ভাৰতীৰ মেৰামতি, শিৱসাগৰৰ টাই আহোম সংগ্ৰহালয়ৰ মেৰামতি, জ্যোতি চিত্ৰবনৰ মেৰামতি, জিলা সংগ্ৰহালয় সমূহৰ উন্নীতকৰণ, পুৰাতাত্বিক স্থান সমূহৰ সংৰক্ষণ, সত্ৰ সমূহ আৰু আন আন ঐতিহাসিক স্থান সমূহৰ সংৰক্ষন আৰু উন্নয়ন।

শিল্পী সকলৰ কল্যানৰ অৰ্থে তেখেত সকলৰ বিপদৰ সময়ত ব্যৱহাৰ কৰিব পৰাকৈ এটা বিশেষ পূজি গঠন কৰা হব। ইয়াৰ বাবে এইবাৰৰ বাজেটত এক কোটি টকাৰ প্ৰস্তাৱ আগবঢ়োৱা হৈছে। সাংস্কৃতিক পৰিক্ৰমা বিভাগে এই বিষয়ত প্ৰয়োজনীয় নীতি নিৰ্দেশনা নিৰ্দ্ধাৰণ কৰিব।

## ২৫: স্বাস্থ্য আৰু পৰিয়াল কল্যান

জনসাধাৰণৰ প্ৰতি মোৰ কৰণীয় সমূহৰ ভিতৰত আটাইতকৈ গুৰুত্বপূৰ্ণ কামটো হল উন্নত আৰু সহজতে পোৱাকৈ স্বাস্থ্যসেৱা আগবঢ়োৱাটো। ৰাষ্ট্ৰীয় গ্ৰামীন স্বাস্থ্য অভিযানৰ (NRHM) উপকাৰীতা সমূহ আমাৰ চকুৰ আগতে ওলাই আছে। এতিয়া হাস্পাতালত জন্ম হোৱা শিশুৰ সংখ্যা বাঢ়িছে আৰু ফল স্বৰূপে মাতৃ মৃত্যুৰ হাৰ আৰু শিশু মৃত্যুৰ হাৰ কমিছে। টিকাকৰণৰ হাৰ ২০০৫-২০০৬ চনৰ ১৬ শতাংশৰ পৰা ২০০৭-২০০৮ চনত ৫৮ শতাংশলৈ বৃদ্ধি পাইছে।

যোৱা বছৰ ১০৮ মৃত্যুঞ্জয় সেৱা আৰম্ভ কৰাৰ ফলস্বৰূপে জৰুৰী সেৱাৰ প্ৰয়োজন হোৱা ৰোগী সকলৰ বাবে এটা বিৰাট সকাহ বুলি পৰিগণিত হৈছে। চাহ বাগিছা সমূহত স্বাস্থ্যসেৱা উন্নীত কৰিবৰ বাবে চৰকাৰে ১৬৮ খন বাগানৰ স্বাস্থ্য অনুষ্ঠানৰ সৈতে চুক্তি বদ্ধ হৈছে আৰু স্বাস্থ্য সেৱাৰ আন্তঃগাথনি উন্নয়নৰ অৰ্থে ১০০ কোটি টকা আগবঢ়োৱাৰ কথা । একেধৰণৰ আচনি চৰ তথা নদীকাষৰীয়া অঞ্চল সমূহতো লোৱা হব।অসম বিকাশ যোজনাৰ অধীনত ইতিমধ্যে গৰ্ভৱতী মহিলাৰ বাবে মামণি আৰু শিশুটিৰ বাবে মাজনী আচনি কাৰ্যকৰী কৰা হৈছে। ৰাজ্যৰ ২৭ খন জিলাত ২৭খন মবাইল স্বাস্থ্যপৰীক্ষা গোটৰ ব্যৱস্থা কৰা হৈছে আৰু ইয়াৰ জৰিয়তে বৰ্তমানলৈ প্ৰায় তিনি লাখ ৰোগীৰ চিকিৎসা কৰা হৈছে।

যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ আধাৰশিলা অলপতে মাননীয় প্ৰধানমন্ত্ৰী মনমোহন সিং দেৱে স্থাপন কৰি গৈছে। বৰপেটা আৰু তেজপুৰৰ চিকিৎসা মহাবিদ্যালয় দুখনৰ কামো তীব্ৰ গতিত চলি আছে। মই ডিফুত এখন নতুন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰাৰ প্ৰস্তাৱ আগবঢ়াইছো। ইয়াৰ বাবে প্ৰাৰম্ভিক কাম কাজ চলিত বছৰতে আৰম্ভ হব। বঙাইগাৱৰ চিভিল হস্পিতাল আৰু কামৰূপ গ্ৰাম্য জিলাৰ চি ভিল হাস্পতাল দুখন সোনকালেই কাৰ্যক্ষম হব। The Assam Public Health Bill অতি সোনকালেই সদনত উত্থাপন কৰাৰ কথা। এই বিলৰ জৰিয়তে অসমৰ হাস্পাতাল সমূহত স্বাস্থ্য সেৱা ভাৰতীয় স্বাস্থ্যসেৱাৰ মানদণ্ডৰ কৰিব বিচৰা হৈছে। দৰিদ্ৰতাৰ সীমাৰ তলত বাস কৰা যি সকল ৰোগী হাস্পাতালত ভৰ্ত্তি হয় তেখেত সকলে যাতে নিজৰ পৰা কোনো ব্যয় বহন কৰিবলগীয়া নহয় তাৰ বাবে তেওঁ লোক হাস্পাতালত থকা কালত নগদ ভাট্টা দিয়া হব। ইয়াৰ বাবে এইবাৰৰ বাজেটত মই পাচ কোটি টকাৰ প্ৰস্তাৱ কৰিছো। এনে দৰিদ্ৰ লোক সকলৰ বাবে এক নতুন বীমা আচনিৰো প্ৰবৰ্তন বাবে চৰকাৰে যাৱতীয় ব্যৱস্থা লৈছে। এই আচনিৰ জৰিয়াতে তেওঁলোকে কোনো নগদ ধন খৰছ নকৰাকৈ ৩৫০০০ টকা পৰ্যন্ত চিকিৎসা সেৱা পাব পাৰিব। হাস্পাতালৰ ৰোগী সকলক বিনামূলীয়া খাদ্য যোগানৰ বাবদ দৈনিক ব্যয়ৰ নিৰিখ চলিত বছৰৰ পৰা ৫০ টকালৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ কৰা হৈছে।



ইয়াৰ ওপৰিও চৰকাৰে মমতা নামৰ এটা নতুন আচনিৰো প্ৰস্তাৱ কৰিছে। যি সকল ছাত্ৰই চৰকাৰী চিকিৎসা মহাবিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লবলৈ বিচাৰে তেওঁলোকৰ বাবে এবছৰ গাৱৰ চিকিৎসালয়ত কাম কৰাটো বাধ্যতা মূলক হব। যোৱা ২০০৮ চনৰ ১ জানুৱাৰীত কৰা প্ৰত্যেক বিধান সভা সমষ্টিতে একোখনকৈ মডেল চিকিৎসালয় স্থাপন কৰা হব বুলি কৰা ঘোষণা পুনৰ বাৰ দোহাৰি মই কওঁ যে চলিত বছৰৰ পৰাই প্ৰথম পৰ্যায়ত ৰাজ্যৰ দূৰণিবতীয়া পিছপৰা ৫০ টা অঞ্চলত এই হাস্পাতাল স্থাপনৰ কাম আৰম্ভ হব।

সাংবাদিক সকলৰ কল্যানৰ অৰ্থে তেখেত সকলৰ বিপদৰ সময়ত ব্যৱহাৰ কৰিব পৰাকৈ এটা বিশেষ পূজি গঠন কৰা হব। ইয়াৰ বাবে এইবাৰৰ বাজেটত এক কোটি টকাৰ প্ৰস্তাৱ আগবঢ়োৱা হৈছে।

স্বাস্থ্য আৰু পৰিয়াল কল্যান খণ্ডত ২০০৮-২০০৯ চনত ধাৰ্য কৰা পূজি ১৩৮৫.৪৬ কোটিৰ পৰা বৃদ্ধি কৰি এই বছৰ ১৬০৪.৯৫ কোটি টকা ধাৰ্য কৰাৰ প্ৰস্তাৱ ৰাখিছো।

## ২৬: ৰাজহুৱা স্বাস্থ্য, খোৱা পানী আৰু পয় প্ৰণালী

মোৰ চৰকাৰে বিশুদ্ধ খোৱা পানী যোগান আৰু উপযুক্ত নিষ্কাষণ প্ৰণালীৰ ওপৰত সৰ্বোচ্চ প্ৰাধান্য দিছে। ৰাজ্যৰ ৮৭,৫৪০ বাসভূমিৰ ভিতৰত ৩২,০৩৬ খন বাসভূমিত সম্পূৰ্ণ ৰূপে আৰু ২৩,০৮৫ খন বাসভূমিত আংশিক ভাৱে পানী যোগনৰ ব্যৱস্থা কৰা হৈছে। চলিত বছৰত এই পানী যোগান আচনিৰ অধীনত আৰু ১০,০০০ বাসভূমি সামৰি লোৱা হব। ইতিমধ্যে ভাৰত নিৰ্মাণ আচনিৰ অধীনত ৫৫৩ খন স্কুলত আৰু ৩১৯৬ পিছুৱাই যোৱা বাসভূমিত পানী যোগানৰ ব্যৱস্থা কৰা হৈছে । এই আচনিৰ অধীনত চলিত বছৰত ৮৮৭২ খন গ্ৰাম্য প্ৰাথমিক বিদ্যালয়ত খোৱা পানীৰ যোগান ধৰিবলৈ প্ৰস্তাৱ আগবঢ়োৱা হৈছে। ইয়াৰ ওপৰিও যি বোৰ অঞ্চলত আৰ্চেনিক বা ফ্লোৰাইডৰ অমুপাত বেছি সেইবোৰ অঞ্চলো পৰ্যায় ক্ৰমে আয়ত্বলৈ অনা হব। The National Rural Drinking Water Quality Monitoring & Surveillance এটা চলি থকা গুৰুত্ব পূৰ্ণ আচনি ইয়াৰ বাবে চলিত বছৰত মই ১৭৮ কোটি টকাৰ প্ৰস্তাৱ কৰিছো। সম্পূৰ্ণ স্বাস্থ্য প্ৰণালী প্ৰচাৰ অভিযান আচনিৰ অধীনত চলিত বছৰত

৫.১ লাখ IHHL, ২৪,৪৪২ টা স্কুল চেনিটাৰী ব্লক, আৰু ১৩,৬৫০ টা অঙ্গনৱাদী প্ৰসাৰগাৰ নিৰ্মাণ কৰিবলৈ লোৱা হৈছে।

এই খণ্ডৰ বাবে মই যোৱা বছৰৰ বাজেটত ধাৰ্য ৬৬০.২১ কোটি টকাৰ পৰা বৃদ্ধি কৰি এই বছৰৰ বাজেটত ৮৫৪.৪৭ কোটি টকাৰ প্ৰস্তাৱ ৰাখিছো।

## ২৭ কৃষিঃ

তড়িৎ গতিৰে বীজ উৎপাদনৰ লক্ষ্য আগত ৰাখি চৰকাৰে Massive Seed Village Prograame,ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা আৰু দুৰ্যোগ প্ৰশমণ কাৰ্যসূচীৰ অধীনত বীজ বিতৰণৰ বাবে বিভিন্ন কাৰ্যপন্থা হাতত লৈছে।

কৃষি পামৰ মেকানাইজেচন, পাৱাৰ টিলাৰ. ট্ৰেক টৰ .জৈৱিক সাৰ, ভূমি পৰীক্ষণ সজুলি , hand sprayer, shallow tube wells আদি বিতৰণৰ জৰিয়তে কৃষি ক্ষেত্ৰক বৈজ্ঞানিক পদ্ধতিত সজাই তোলা হব। অনুসূচিত জাতি, জনজাতি, দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়াল আৰু মহিলা কৃষক সকলৰ কল্যানৰ বাবে বিশেষ পদক্ষেপ লোৱা হব। জৈৱিক কৃষি পদ্ধতিৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হব। ধুবুৰী জিলাত এখন নতুন কৃষি মহাবিদ্যালয় স্থাপন কৰা হব। গাঁও চলো আচনি আৰু debt waiver and relief scheme ৰ অধীনত খেতিয়ক সকল উপকৃত হৈছে। কিযাণ ক্ৰেডিত কাৰ্ড প্ৰৱৰ্তন কৰা দিন ধৰি বতমানলৈ মুঠ ৪.৫ লাখ কিযান ক্ৰেডিত কাৰ্ড খেতিয়ক সকলক প্ৰদান কৰা হৈছে। খেতিয়ক সকলৰ উন্নতিৰ কাৰণে প্ৰত্যেক গাৱতে একোজন কৈ প্ৰগতিশীল কৃষকক কৃষক বন্ধু হিচাবে মনোনীত কৰা হৈছে। কৃষিজাত সামগ্ৰীৰ বিশেষকৈ শাক পাচলিৰ বাণিজ্যিক সমস্যা সমাধানৰ বাবে কৃষি উৎপাদন আৰু পৰিচালনা গোট গঠন কৰা হৈছে।

চলিত বছৰত ক্ষুদ্ৰ আৰু মজলীয়া কৃষক সকলৰ সমস্যাৰ সমাধানৰ অৰ্থে মই এখন বিশেষ আচনি প্ৰৱৰ্তন কৰিবলৈ প্ৰস্তাৱ ৰাখিছো। কৃষি খণ্ডৰ বাবে যোৱা বছৰৰ ৫১৮.১৯ কোটি টকাৰ পৰিবৰ্তে ২০০৯-২০১০ চনৰ বাবে ৬১০.২৭ কোটি টকা ধাৰ্য কৰাৰ প্ৰস্তাৱ কৰিছো।



## ২৮ জলসিঞ্চন

যথোপযুক্ত জলসিঞ্চনৰ সুবিধা আবিহনে কৃষি কৃষক ৰাইজৰ উন্নতি আশা কৰিব নোৱাৰি। ২০০৮-২০০৯ চনত ১৫,৬৪১ হেক্টৰ মাটি জলসিঞ্চনৰ বাবে লোৱা হৈছিল। ৰাজ্যখনত বৰ্তমানে চলি থকা চাৰিটা প্ৰধান আৰু মজলীয়া আচনি সম্পূৰ্ণ হলে অতিৰিক্ত ৮৮,০৫৯ হেক্টৰ মাটিত জলসিঞ্চনৰ সুবিধা পোৱা হব।

চলিত বৰ্ষত AIBP পুঁজিৰ দ্বাৰা পৰিচালিত আচনি সমূহৰ সফল সামৰণিৰ পাছত অতিৰিক্ত ২.১৬ লাখ হেক্টৰ মাটিত জলসিঞ্চনৰ সুবিধা লাভ কৰিব। AIBP ৰ অধীনত ইতিমধ্যেই ৩৫,২০৭ হেক্টৰ মাটিত জলসিঞ্চনৰ ব্যৱস্থা কৰা হৈছে। নাবাৰ্ডৰ সহায়ত ৯৮৪.৫৭ লাখ টকা ব্যয় সাপেক্ষে ২২ খন জলসিঞ্চন আচনি সম্পূৰ্ণ কৰি ৭,১১১ হেঃ মাটিত জলসিঞ্চনৰ ব্যৱস্থা কৰা হৈছে। NLCPR পুঁজিৰে ৩০১০ হেক্টৰ মাটি জলসিঞ্চিত কৰাৰ উদ্দেশ্যে ডিব্ৰুগড় আৰু শোণিতপুৰ জিলাত চাৰিখন আচনি গ্ৰহণ কৰা হৈছে। AIBP আৰু নাবাৰ্ডৰ পুঁজিৰে বিটিচি অঞ্চলত ১২,৭৪৬ হেঃ মাটিত জলসিঞ্চনৰ ব্যৱস্থা কৰাৰ কাম চলি আছে ।ভাৰত নিৰ্মাণ আচনিৰ অধীনত AIBP, NLCPR, NABARD, State Plan আৰু BTC package ৰ জৰিয়তে কেবাটাও জলসিঞ্চন প্ৰকল্পৰ ৰূপায়নৰ কাম চলি আছে। এই আচনিৰ অধীনত ৪৩,৪০৩ হেঃ মাটিত জলসিঞ্চনৰ ব্যৱস্থা ইতিমধ্যে কৰা হৈছে।

এই শিতানত যোৱাবাৰৰ বাজেটৰ ৪৫৪.৭১ কোটি টকাৰ বিপৰীতে এইবাৰৰ বাজেটত ৭৪১.৪৫ কোটি টকাৰ প্ৰস্তাৱ কৰা হৈছে।

## ২৯: পশুপালন

ৰাজ্যৰ পশুপালন খণ্ডটো এটা প্ৰাথমিক খণ্ড। এই খণ্ডত গো-পালন, গাহৰি, হাহঁ কুকুৰা পালন আদিত নিয়োজিত লোক সকলৰ ওপৰিও ইয়াত নিয়োজিত আত্ম সহায়ক গোট , শিক্ষিত নিবনুৱা, মহিলা আদিৰ

স্বাস্থ্য আৰু সামগ্রিক উন্নয়নৰ বাবে বহু আচনি হাতত লোৱা হৈছে। আমাৰ অৰ্থনীতিত পশুপালনৰ গুৰুত্ব অপৰীসীম। যোৱা বছৰ মহামাৰীৰ ৰূপ লোৱা পক্ষীজ্বৰ বা বাৰ্ড ফ্লু সফলতাৰে নিৰ্মুল কৰা হয়। চুবুৰীয়া পশ্চিমবঙ্গত হোৱা পক্ষী জ্বৰৰ পৰিপ্ৰেক্ষিতত পক্ষী নিৰ্মূল কৰণ অভিযানৰ ফলস্বৰূপে আৰ্থিকভাৱে বিধস্ত হোৱা ধুবুৰী আৰু কোকৰাঝাৰ জিলাৰ ১২০০০ পৰিয়াললৈ পুনৰ সংস্থাপিত কৰাৰ পেকেজ আগবঢ়োৱা হয়। বহু ঠাইত সিচৰিত হৈ থকা বহু সংখ্যক কৃষকক একত্ৰিত কৰি কেতবোৰ কাৰ্যক্ষম গোট স্থাপনৰ দিহা কৰা হৈছে। চলিত বছৰত ১৯ খন জিলাক সামৰি ১৩৭টা স্থানীয় ডেইৰী গোট স্থাপনৰ প্ৰস্তাৱ ৰখা হৈছে।

পশুপালন আৰু ভেটিনেৰী খণ্ডৰ বাবে মই এইবাৰৰ বাজেটত ৩১.৮৫ কোটি টকাৰ প্ৰস্তাৱ কৰিছো। সেইদৰে দুগ্ধ উন্নয়নৰ বাবে১৩.৪৮ কোটি টকা ধাৰ্য কৰিছো।

**৩০: মীন পালন**

আমাৰ চৰকাৰে মীন পালনৰ ক্ষেত্ৰত ৰাজ্যখনত থকা অপৰিসীম পৰিবেশৰ সুযোগ গ্ৰহণ কৰিবলৈ বহুতো আচনি হাতত লৈছে। ইয়াৰ ভিতৰত নিয়োগ বৃদ্ধি,পৰিত্যাগ কৰা জলৰাশিক মীন পালনৰ উপযোগী কৰি তোলা আৰু মৎস্য মিত্ৰ অন্যতম। চৰকাৰে লোৱা পদক্ষেপৰ ফলত মাছৰ উৎপাদন ২০০৭-২০০৮ চনৰ 1.90 লাখ টনৰ পৰা 2.06 লাখ টনলৈ বৃদ্ধি পাইছে। মাছৰ পোনাৰ উৎপাদনো আগৰ বছৰতকৈ ৬ শতাংশ বাঢ়িছে। মৎস মিত্ৰ আচনিৰ অধীনত ২৪৪ গৰাকী লোকক ঘৰৰ দুৱাৰমুখতেই মীন পালনৰ প্ৰশিক্ষন দিয়া হৈছে।
২০০৯-১০ বৰ্ষৰ বাজেটত ৩১.৮৪ কোটি টকা এই শিতানত ৰখাৰ প্ৰস্তাৱ কৰা হৈছে ।

**৩১: পঞ্চায়ত**

মাননীয় সদস্য সকলে শুনি আনন্দিত হ'ব যে কেন্দ্ৰীয় পঞ্চায়তীৰাজ মন্ত্ৰণালয়ে চলোৱা এক সমীক্ষাত বিভিন্ন ৰাজ্যৰ পাৰদৰ্শিতাৰ ক্ষেত্ৰত অসমে দেশৰ ভিতৰত দশম স্থান অধিকাৰ কৰিছে আৰু বিভিন্ন ক্ষেত্ৰৰ পোৱা সৰ্বমুঠ পইণ্টেৰে গড়ে ৩.২৪ পইণ্ট লাভ



কৰি তৃতীয় পুৰস্কাৰ হিচাবে নগদ ৫০ লাখ টকা লাভ কৰিছে । অৱশ্যে মোৰ উদ্দেশ্য ইয়াতে সীমিত নহয়। মই আমাৰ ৰাজ্যখনক দেশৰ ভিতৰতে প্ৰথম স্থানত থিয় কৰাব বিচাৰো। তিনি খলপীয়া পঞ্চায়তী ৰাজ অনুষ্ঠান সমূহ সংগঠিত হোৱাৰ লগে লগে গ্ৰাম্য বিকাশৰ সকলো বোৰ আঁচনি বাস্তৱত ৰূপায়িত কৰাত এই সমূহ অনুষ্ঠানে সক্ৰিয় অংশ গ্ৰহণ কৰিব পৰাকৈ এই বছৰৰ বাজেটত ব্যৱস্থা কৰা হৈছে। ইতিমধ্যে ৭০ টা বিভাগৰ ২৩ টা Activity Mapping নিৰ্দ্দিষ্ট কৰি জাননী দিয়া হৈছে আৰু বাজেটত ইয়াৰ বাবে প্ৰস্তাৱ ৰখা হৈছে। ৭৩ তম আৰু ৭৪ তম সংবিধান সংশোধনৰ ব্যৱস্থা সমূহ ৬ষ্ঠ অনুসূচীৰ অঞ্চল সমূহতো কেনেদৰে প্ৰয়োগ কৰিব পাৰি সেই সম্পৰ্কতো ৰাজ্য চৰকাৰে চিন্তা চৰ্চা কৰি আছে যাতে কেন্দ্ৰীয় আৰু ৰাজ্যিক বিত্ত আয়োগে প্ৰদান কৰা বিত্তীয় সুবিধা সমূহৰ পৰা এই অঞ্চল সমূহো উপকৃত হব পাৰে।

**৩২ : গ্ৰাম্য উনন্নয়ন**

গ্ৰাম্য উন্নয়নৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ IAY, SGSY, NREGA, IWDP ইত্যাদিআচনি সমূহ ৰাজ্য চৰকাৰে কাৰ্যকৰী কৰি আছে। অসম বিকাশ যোজনাৰ বাবে এই বছৰৰ বাজেটত ২৬.৫০ কোটি টকাৰ প্ৰস্তাৱ কৰা হৈছে ।

যোৱা বছৰৰ পৰা এনৰেগা আচনি খন সমগ্ৰ ৰাজ্যতে প্ৰৱৰ্তন কৰা হৈছে। ১৮.৭৪ লাখ পৰিয়াল উপকৃত হোৱাকৈ আমি ৭৪৮.৭৮ লাখ man days ৰ বাবে নিয়োগ প্ৰদান কৰিছো। আচনি সমূহ চোৱা চিতা কৰিবৰ বাবে এই বছৰ আমি এটা ৰাজ্যিক কোষ গঠন কৰাৰ লক্ষ্য লৈছো। এনৰেগা আচনিৰ ধন আদায় দিবলৈ স্মাৰ্ট কাৰ্ড ব্যৱহাৰ কৰাৰ সিদ্ধান্ত লোৱা হৈছে। বেঙ্কেও এই ক্ষেত্ৰত যাৱতীয় কাম কাজ আৰম্ভ কৰিছে। এই আচনিৰ অধীনত সকলো দেনা পাওনা আদায়ৰ ক্ষেত্ৰত স্বচ্চতা বজাই ৰাখিবৰ বাবে বেঙ্ক আৰু ডাকঘৰক জড়িত কৰা হব।

মই SIRD ৰ যোগেৰে মহিলা, কৃষক আৰু যুৱ চামৰ স্বনিয়োজনৰ দক্ষতা বৃদ্ধিৰ বাবে এখন আচনি উপস্থাপন কৰিব

বিচাৰিছো।ইয়াৰ বাবে এইখন বাজেটত ৩৫ লাখ টকাৰ প্ৰস্তাৱ কৰা হৈছে।

৪০ ৰ পৰা ৬০ বছৰ বয়সৰ বিধৱা আৰু দৰিদ্ৰ সীমা ৰেখাৰ তলৰ প্ৰতিবন্ধী সকলৰ পেঞ্চনৰ কাৰণে চিনাক্তকৰণৰ প্ৰক্ৰিয়া জিলা সমূহত ইতিমধ্যে আৰম্ভ হৈছে। প্ৰায় দুই লাখ বিধবা আৰু দৰিদ্ৰসীমাৰ তলৰ প্ৰতিবন্ধী লোকে মাহে ২০০ টকাকৈ ৰাষ্ট্ৰীয় পেঞ্চনৰ বাবে নিৰ্বাচিত হৈছে। ইয়াত ৰাজ্য চৰকাৰে নিজাকৈ মাহিলী ৫০ টকাৰ বৰঙণি আগবঢ়াব। ৰাজ্যখনত এইবাৰ আমি অন্তত- ২২ টা গ্ৰাম্য বিকাশ আৰু স্ব নিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপনৰ পৰিকল্পনা হাতত লৈছো। এই প্ৰশিক্ষণ প্ৰতিষ্ঠান সমূহে গাৱৰ লোকসকলক প্ৰশিক্ষণৰ দ্বাৰা কৌশলী কৰি তোলাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিব।

ৰাজ্যৰ ভিতৰত আৰু বাহিৰত শিক্ষামূলক ভ্ৰমণৰ বাবে খেতিয়ক , শিল্প কৰ্মত নিয়োজিত লোক, মীন পালক, শিপিনী, দুগ্ধ ও গো পালক সকলৰ বাবে এইবাৰৰ বাজেটত এক কোটি টকাৰ প্ৰস্তাৱ ৰাখিছো। ইন্দিৰা আৱাস যোজনাৰ অধীনত যোৱা বছৰ ২,০৩,৪৫৩ জন হিতাধিকাৰীলৈ সাহাৰ্য আগবঢ়োৱা হৈছিল। ইয়াৰে ১,১০,১৯৫ গৃহ ইতিমধ্যে সম্পূৰ্ণ হৈছে আৰু বাকী অংশ নিৰ্মাণ ৰত। চলিত বৰ্ষত ২,৪০,০০০ জন হিতাধিকাৰীক এই আচনিৰ অন্তৰ্ভূক্ত কৰণৰ প্ৰস্তাৱ ৰখা হৈছে।

প্ৰত্যেক জিলাতে বিভিন্ন উন্নয়ন মূলক আঁচনি ৰূপায়নৰ বাবে একোখনকৈ আদৰ্শ গাওঁ স্থাপনৰ প্ৰস্তাৱ ৰাখিছো। এই উদ্দেশ্যে যাৱতীয় পূজিৰ ব্যৱস্থা কৰা হৈছে। অসম প্ৰবেশ কৰৰ ব্যৱহাৰৰ জৰিয়তে গ্ৰাম্যাঞ্চলত বাণিজ্যিক সা- সুবিধা উন্নতিৰ বাবে মই ব্যৱস্থা ৰাখিছো। গ্ৰাম্যাঞ্চলৰ উন্নতিৰ বাবে মই এখন গ্ৰাম্য উন্নয়ন পৰিষদ গঠনৰ প্ৰ স্তাৱ ৰাখিছো। কেন্দ্ৰীয় চৰকাৰ পৃষ্ঠপোষকতাৰ বাবদ ৰাজ্যিক অংশ হিচাবে ৩০০ কোটি টকা মই বাজেটত ধাৰ্য কৰাৰ প্ৰস্তাৱ ৰাখিছো।



৩৩। জলসম্পদ ঃ

ৰাজ্য চৰকাৰে ৰূপায়িত কৰি থকা বিভিন্ন হ্ৰস্বকালীন বান সুৰক্ষা আঁচনিৰ জৰিয়তে ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ ১৬.৫০ লাখ হেক্টৰ বানপীড়িত মাটি বানৰ কবলৰ পৰা সুৰক্ষা দিবলৈ সমৰ্থ হৈছে। কেন্দ্ৰীয় খণ্ডৰ ৮৪ টা বানপানী আৰু খহনীয়াৰ পৰা সুৰক্ষা প্ৰদান আঁচনিৰ বেছি ভাগেই সম্পূৰ্ণ হৈ উঠিছে .আৰু বাকী কেইটাও সমাপ্তিৰ পথত। এই বিত্তীয় বৰ্ষত আৰু ১২৮ খন নতুন আঁচনি লোৱা হ'ব। ইয়াৰ বাবে প্ৰয়োজনীয় সমল NEC, NLCPR, ACA আৰু JRC এ আগবঢ়াব। NABARD ৰ পূঁজিৰে নিৰ্মিত ৪১ খন ৰাজ্যিক খণ্ডৰ আঁচনিৰ ভিতৰত ১৯ খন সম্পূৰ্ণ হৈছে আৰু বাকী কেইখনৰ কামো শেষ হৈ আহিছে।

অসম চৰকাৰে Asian Development Bank ৰ আৰ্থিক সাহাৰ্য্যেৰে Assam Integrated Flood and River Bank Erosion Risk Management Project শীৰ্ষক ৭৫০ কোটি টকাৰ প্ৰকল্প এটা গ্ৰহণ কৰিছে।

সন্মানীয় সদস্য সকলে জানে যে ১৯৫৪ চনবে পবা ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সমূহৰ খহনীয়াৰ ফলত অসমে প্ৰায় ৪ লাখ হেক্টৰ ভূমি হেৰুৱাইছো। সেই হেৰোৱা মাটি পুনৰ উদ্ধাৰৰ বাবে চিন্তা চৰ্চা কৰি আমি কাৰ্যপন্থা হাতত লব লাগিব। এই সম্পৰ্কে বিশেজ্ঞৰ দ্বাৰা এলানি অধ্যয়ন চলাবৰ বাবে বাজেটত মই ১০ লাখৰ প্ৰস্তাৱ কৰিছো। মই এখন Water Resource Management Commission স্থাপনৰ প্ৰস্তাৱো দিছো। বিভিন্ন সন্মানজনক প্ৰতিষ্ঠানৰ অভিজ্ঞ ব্যক্তি সকলৰ দ্বাৰা গঠন হব লগীয়া এই কমিচনখনে বানপানী আৰু খহনীয়া প্ৰতিৰোধ তথা ভূমি পুনৰ উদ্ধাৰৰ অৰ্থে পৰামৰ্শ দিব পাৰিব।

জলসম্পদৰ যথোপযুক্ত পৰিচালনা তথা বান আৰু খহনীয়া প্ৰতিৰোধৰ অৰ্থে ২০০৯-১০ চনৰ বাজেটত ১৫০ কোটি টকা ধৰা হৈছে। ইয়াৰ ভিতৰত ৫০ কোটি টকা বৰ্তমানে থকা মথাউৰি চোৱাচিতা আৰু খহনীয়া প্ৰতিৰোধ ব্যৱস্থাৱলীৰ বাবে ধাৰ্য্য কৰা হৈছে। ইয়াৰ উপৰিও বানত ক্ষতিগ্ৰস্থ মথাউৰি আদিৰ মেৰামতিৰ বাবে CRF ৰ পৰাও পূঁজিৰ যোগান ধৰা হব।



**৩৪: গড়কাপ্তানী বিভাগ**

মোৰ চৰকাৰে সদায়েই কাৰ্য-উপযোগী তথা গাওঁ সংযোগী আলিবাটৰ নিৰ্মাণ, উন্নয়ন আৰু ৰক্ষণাবেক্ষণত গুৰুত্ব দি আহিছে। সেয়েহে মই আমাৰ নিজৰ উৎসৰ ওপৰিও NLCPR, CRF, PMGSY, বিভিন্ন কেন্দ্ৰীয় খণ্ডৰ আচনি, উত্তৰ পূব পৰিষদ ইত্যাদি বিভিন্ন উৎসৰ পৰা পোৱা ধনৰে আলি বাট বন্ধা আৰু পথ উন্নয়নৰ কামত গুৰুত্ব আৰোপ কৰিছো । মুখ্যমন্ত্ৰীৰ পকী পথ নিৰ্মাণ আচনিৰ অধীনত ৬৪৯ কিলোমিটাৰ পথ উন্নয়নৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈ উঠিছে। এই বছৰ মুখ্যমন্ত্ৰীৰ পকী দলং নিৰ্মাণ আচনি এখন নতুনকৈ লোৱা হৈছে আৰু ইয়াৰ বাবে এই বাজেটত ৫০ কোটি টকাৰ প্ৰস্তাৱ কৰা হৈছে। গুৱাহাটীৰ ভঙাগড় আৰু ছয়মাইলৰ উৰণীয়া সেতুৰ কাম সম্পূৰ্ণ হোৱাৰ পাছত এতিয়া যথাক্ৰমে মেডিকেল কলেজ আৰু পাঞ্জাবাৰীৰ ফাললৈ যোৱা অংশ দুটাৰ কাম চলি আছে আৰু এই কাম জুলাই মাহৰ ভিতৰত সম্পূৰ্ণ হৈ উঠিব বুলি আশা কৰা হৈছে।

বিগত বছৰ কেইটাত আলিবাট সংযোগৰ দিশত অসমে অভূতপূৰ্ব সফলতা লাভ কৰিছে। এইবছৰৰ বাজেটত আলিবাটৰ শিতানত ৬০৮.৮৩ . কোটি টকা ধাৰ্য কৰা হৈছে। ইয়াৰ ভিতৰত ৩৪৫ কোটি টকা আলিবাট সমূহৰ মেৰামতিৰ বাবে ধাৰ্য কৰা হৈছে।

নতুন চৰকাৰী গৃহ নিৰ্মাণ আৰু বৰ্তমানে থকাৰাজহুৱা গৃহ সমূহৰ তদাৰকীকৰণৰ তথা মেৰামতিৰ কাম সমূহ অনতি পলমে শেষ কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছে। ভৱন নিৰ্মাণৰ বাবে এই বছৰৰ বাজেটত ২৩৩.৭৭ কোটি টকাৰ প্ৰস্তাৱ কৰা হৈছে। ইয়াৰে ১৬২.৮৬ কোটি টকা তদাৰকী আৰু মেৰামতিৰ বাবে ব্যয় কৰা হব।

**৩৫: শক্তি**

অসমকে ধৰি উত্তৰ পূব ভাৰতৰ অন্যান্য ৰাজ্য কেইখন জলবিদ্যুত শক্তিৰ ওপৰত নিৰ্ভৰশীল। এই বছৰ অতি কম বৰষুণৰ ফলত ৰাজ্যখনত বিদ্যুতৰ নাটনিয়ে জটিল ৰূপ ধাৰণ কৰিছে। শক্তি উৎপাদনৰ ক্ষমতা বৃদ্ধিৰ বাবে লুংনিট আৰু মিনট্ৰিয়াঙ ক্ষুদ্ৰ জলবিদ্যুত প্ৰকল্প দুটাৰ ওপৰিও ১০০ মেগাৱাটৰ নামৰূপ গেছ ভিত্তিক প্ৰকল্পৰ কাম হাতত লোৱা হৈছে। ৩৭.৫ মেগাৱাটৰ Lakwa Waste Heat

Recovery প্ৰকল্পৰ কামো এই বিত্তীয় বৰ্ষতে সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা আছে।. তদুপৰি নামনি কপিলী জলবিদ্যুত প্ৰকল্প, উজনি লাংপি জলবিদ্যুত প্ৰকল্প, মাৰ্ঘেৰিটাৰ কয়লা ভিত্তিক তাপ বিদ্যুত প্ৰকল্প আৰু বঙ্গাই গাৱৰ তাপ বিদ্যুত প্ৰকল্পৰ কামো ইতিমধ্যেই আৰম্ভ হৈছে। ত্ৰিপুৰাৰ ONGC ৰ পালাটানা গেছ প্ৰকল্পৰ পৰাও শক্তি আহৰণৰ ব্যৱস্থা কৰা হৈছে। এই সকলোবোৰ পদক্ষেপে অহা তিনি বছৰৰ ভিতৰত অসমক এখন বিদ্যুত ৰাহি ৰাজ্যৰ পৰ্যায়লৈ উন্নীত কৰিব বুলি আশা কৰা যায়।

ৰাজ্যখনৰ সকলোবোৰ চেঞ্চাচ গাৱত বিদ্যুত যোগানৰ উন্নতি সাধনৰ অৰ্থে ৰাজীৱ গান্ধী গ্ৰামীন বৈদ্যুতিকৰণ যোজনা প্ৰায় প্ৰতিখন জিলাতেই আৰম্ভ কৰা হৈছে। ৩২০খন ভিতৰুৱা গাৱত সৌৰশক্তি ব্যৱহাৰ কৰি solar home lighting system স্থাপনৰ কাম ইতিমধ্যে সম্পূৰ্ণ কৰা হৈছে। অসমৰ শক্তিখণ্ডৰ কাম কাজৰ প্ৰতি লক্ষ্য ৰাখি এচিয়ান ডেভেলপমেণ্ট বেংকে চলিত বছৰতে ২০০ পৰা ২৫০ নিযুত আমেৰিকান ডলাৰৰ অতিৰিক্ত সাহাৰ্য দিয়াৰ কথা বিবেচনা কৰিছে। তদুপৰি ৰাজ্যখনত ১২০০ মেগাৱাট শক্তি উৎপাদনৰ বাবে আমি তামিল নাডু, মেঘালয় আৰু উৰিষ্যাৰ যুটীয়া সহযোগত ৩০০ MMT কয়লা অসমৰ বাবে যোগানৰ বব্যৱস্থা লোৱা হৈছে। তদুপৰি অসমৰ পৰম্পৰাগত শক্তি সম্পদৰ উৎস সমূহৰ প্ৰতিও বিভিন্ন বিনিয়োগ কাৰীৰ দৃষ্টি আকৰ্ষিত হৈছে । এইটো আমাৰ ৰাজ্যখনৰ বাবে আনন্দৰ কথা ।

শক্তি খণ্ডৰ বাবে ২০০৯-২০১০ চনৰ বাজেটত মই ২০৭.৭৪ কোটি টকাৰ প্ৰস্তাৱ কৰিছো।

**৩৬ উদ্যোগ আৰু বাণিজ্য**

২০০৭ চনৰ উত্তৰ পূব উদ্যোগিক আৰু বিনিয়োগ বৃদ্ধি নীতি ঘোষণা কৰাৰ পাছত ৰাজ্যখনৰ ঔদ্যোগিক ক্ষেত্ৰলৈ এটা উৎসাহ জনক পৰিবেশ অহাটো পৰিলক্ষিত হৈছে । মই ক্ষুদ্ৰ আৰু অতি ক্ষুদ্ৰ উদ্যোগ সমূহৰ বাবে গ্ৰাম্য বিকাশ কেন্দ্ৰ স্থাপনৰ লগতে নিয়োগ নিশ্চিতকৰণ অভিযানৰ অধীনত আন এখন আচনি প্ৰৱৰ্তন কৰাৰ কথা ভাবিছো। ইয়াৰ বাবে প্ৰয়োজনীয় পুঁজি পোৱা হৈছে । ২০০৯-২০১০ চনৰ বাজেটত গ্ৰাম্য শিল্প কৰ্মৰ সৈতে জড়িত লোক সকলক



উৎসাহ দিয়াৰ বাবে পুৰস্কাৰ আচনি এখন কাৰ্যকৰী কৰিবৰ বাবে এইবাৰৰ বাজেটত মই এক কোটি টকাৰ প্ৰস্তাৱ কৰিছো।

অসম গেছ ক্ৰেকাৰ প্ৰকল্পৰ কাম দ্ৰুত গতিত চলি আছে। আৰু ২০১১ চনৰ ভিতৰত কাৰ্যক্ষম হোৱাৰ কথা। The Assam Hydrocarbon & Energy Company limited নামৰ কোম্পানী টো ইতিমধ্যে গঠন কৰা হৈছে। এই কোম্পানীয়ে তেল আৰু প্ৰাকৃতিক গেচৰ সন্ধান কৰিব আৰু লগতে যথেষ্ট পৰিমানৰ নিয়োগ সৃষ্টি কৰাৰ ওপৰিও ৰাজ্যখনলৈ ৰাজহ আনিব বুলি আশা কৰা হৈছে।

তিনিচুকীয়াত এখন সম্পূৰ্ণ সংহত প্লাষ্টিক পাৰ্ক আৰু বকোত ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডৰ সহযোগত [PPP] এটা Agri Hub আৰু এটা Agri Processing Zone স্থাপন কৰাৰ ব্যৱস্থা কৰা হৈছে। এখন বাহ গছৰ উদ্যান আৰু এটা কলৰ উদ্যোগিক আৰু ৰপ্তানি উন্নয়ন কেন্দ্ৰৰ উপৰিও দুটা সংহত আন্তঃ গাথনি উন্নয়ন কেন্দ্ৰ আৰু এখন মৰাপাট উদ্যান স্থাপনৰ যো-যাও চলাই থকা হৈছে । ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ উপাদন ক্ষমতা বৃদ্ধিৰ অৰ্থে দক্ষিণ পশ্চিম কামৰূপ বিকাশ প্ৰকল্প (South West Kamrup Growth Pole Project ) হাতত লোৱা হৈছে । তদুপৰি ৩০০০ কোটি টকা মূল্যৰ চাৰিটা নতুন চিমেন্ট গোট স্থাপনৰ কথাও আগবাঢ়িছে। ২৬০০ কোটি টকাৰ বিনিয়োগত কাগজকল এটি স্থাপনৰ প্ৰস্তাৱ পোৱা হৈছে। সম্প্ৰতি চলি থকা ছয়গাৱৰ খাদ্য প্ৰচেছিং উদ্যোগিক উদ্যান খনৰ উপৰিও নলবাৰীৰ নাথকুছিত এখন Mega Food Park স্থাপনৰ কাম চলাই থকা হৈছে । ৰাজ্যখনত দুটা বৃহত উদ্যোগিক সংযোগী পথ বা Industrial Corridor গঠনৰ কথা চিন্তা কৰা হৈছে ।

উন্নত ধৰণৰ সা সুবিধাৰে উদ্যোগী সকলৰ নিজস্ব উৎপাদন সমূহ প্ৰদৰ্শন আৰু বিক্ৰী কৰিব পৰাকৈ ব্যৱস্থা ৰখা মণিৰাম দেৱান ট্ৰেড চেণ্টাৰ অলপতে মুকলি কৰা হৈছে। যুৱক সকলৰ সামৰ্থ বৃদ্ধিৰ বাবে মুখ্যমন্ত্ৰীৰ স্বনিয়োজন যোজনা আৰু উদ্যোগ জ্যোতি আচনিৰ জৰিয়তে ব্যৱস্থা লোৱা হৈছে । শিৱসাগৰত Rajiv Gandhi Institute of Technology , যোৰহাটত National Institute of Design আৰু উপযুক্ত স্থানত National Academy of Construction -তিনিটা নতুন অনুষ্ঠান স্থাপনৰ বাবে ব্যৱস্থা লোৱা

হৈছে ।

অসমৰ উদ্যোগিক বিকাশত উৎসাহ জনাবলৈকে গ্ৰাম্য আৰু ক্ষুদ্ৰ উদ্যোগ শিতানৰ পূজি ২০০৮-২০০৯ চনৰ ২০ কোটি টকাৰ পৰা চলিত বছৰত ৪৯.৫০ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। ইয়াৰ ওপৰিও অন্যান্য উদ্যোগৰ ক্ষেত্ৰতো যোৱা বছৰৰ ৪৬.৭০ কোটি টকাৰ বিপৰীতে ২০০৯-২০১০ চনত ৫৪.৭০ কোটি টকা ধাৰ্য কৰা হৈছে।

**৩৭ তথ্য প্ৰযুক্তি**

মুখ্য মন্ত্ৰীৰ তথ্য প্ৰযুক্তি প্ৰশিক্ষণ আৰু নিয়োগ আচনিৰ অধীনত শিক্ষিত নিবনুৱা সকলক কম্পিউটাৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হৈছে। National e-governance আচনিৰ অধীনত বহুতো আকৰ্ষণীয় ব্যৱস্থা হাতত লোৱা হৈছে। ৰাজ্যৰ বিভিন্ন ঠাইত মুঠ ১৫০০ টা সমূহীয়া সেৱা কেন্দ্ৰ প্ৰতিষ্ঠা কৰাৰ লগতে ৰাজ্যিক তথ্য কেন্দ্ৰৰ স্থানও নিৰ্বাচন কৰা হৈছে। Assam State Wide Area Network স্থাপনৰ ৰ কামো তৰান্বিত কৰা হৈছে।

Assam Online Portal আৰু যোৱা বছৰ আৰম্ভ হোৱা কাগজবিহীন কাৰ্যালয় প্ৰকল্পৰ কাম এই বছৰতে সম্পূৰ্ণ হোৱা কথা । বৰঝাৰ বিমান বন্দৰৰ ওচৰৰ আই টি পাৰ্ক খনৰ কামো দ্ৰুত গতিত আগবাঢ়িছে। ৰাজীৱ গান্ধী কম্পিউটাৰ স্বাক্ষৰতা অভিযানৰ মাধ্যমত স্কুল সমূহত কম্পিউটাৰ আন্তঃ গাথনি যথেষ্ট টনকিয়াল কৰা হৈছে। এতিয়ালৈকে ৯৬৯ খন উচ্চতৰ, উচ্চ আৰু উচ্চ মাদ্ৰাছা বিদ্যালয়ত এই আচনি কাৰ্যকৰী কৰা হৈছে আৰু এই বছৰ নতুনকৈ ৬৪১ খন বিদ্যালয় এই আচনিত সামৰি লোৱা হব। এই বছৰৰ বাজেট তথ্য প্ৰযুক্তি খণ্ডৰ বাবে ২৩.৭৫ কোটি টকাৰ প্ৰস্তাৱ কৰা হৈছে।

**৩৮: সমাজ কল্যান**

সমাজ কল্যান হৈছে ৰাজ্য চৰকাৰে অগ্ৰাধিকাৰ দিয়া অন্যতম গুৰুত্ব পূৰ্ণ খণ্ড। ৰাজ্যখনৰ মানৱ সম্পদ বিকাশৰ বাবে আমি বিভিন্ন কাৰ্যসূচী হাতত লৈছো। ICDS আচনিখনৰ পৰিসৰ ক্ৰমাৎ বৃদ্ধি কৰি অহা হৈছে আৰু ২০০৯ চনৰ শেষৰ ফালে ৰাজ্যত ২২৮ টা ICDS প্ৰকল্পৰ অধীনত ৫৩,১৫৭ টা অঙ্গনৱাদী কেন্দ্ৰত অংগনৱাদী কৰ্মীৰ সংখ্যা হৈছেগৈ ১,০৩,৩৪৭ গৰাকী। যোৱা এক এপ্ৰিলৰ পৰা অঙ্গনৱাদী কৰ্মী সকলৰ মাননি মাহে ১৫০০ টকাৰ পৰা ১৮০০ টকালৈ বৃদ্ধি কৰা হৈছে আৰু আনহাতে সহায়ক সকলৰ মাননি মাবে ৭৫০ টকাৰ পৰা ৯৫০ টকালৈ বৃদ্ধি কৰা হৈছে। অঙ্গনৱাদী কৰ্মী সকলক



বাইচাইকেলৰো যোগান ধৰা হৈছে। মই এই কেন্দ্ৰ সমূহত শিশুৰ পুষ্টি হীনতা নিবাৰণৰ বাবে উন্নত মানৰ পুষ্টিকৰ আহাৰ যোগান ধৰাৰ ব্যৱস্থা কৰিবলৈ প্ৰস্তাৱ কৰিছো।

মুখ্যমন্ত্ৰীৰ জীৱনজ্যোতি বীমা আচনি আৰু মহিলা সমৃদ্ধি যোজনাই ৰাজ্য খনত অভূতপূৰ্ব সঁহাৰি লাভ কৰিছে।

দৃষ্টি আৰু শ্ৰৱন শক্তিহীন লোকৰ বাবে বিশেষ বিদ্যালয় স্থাপন আচনি গ্ৰহণ কৰা হৈছে । অক্ষম লোক সকলৰ বাবে নিৱনুৱা ভাট্টা আচনি আৰু শাৰিৰীক ভাৱে অক্ষম শিশুৰ পৰিয়ালৰলৈ ভাট্টা দিয়াৰ প্ৰস্তাৱো গ্ৰহণ কৰা হৈছে।

শিশু সকলৰ অধিকাৰৰ বাবে ৰাজ্যিক শিশু অধিকাৰ সুৰক্ষা আয়োগ গঠন কৰাৰ প্ৰস্তাৱ কৰা হৈছে। ইয়াৰোপৰি মহিলাৰ বাবে দুটা সংৰক্ষণ গৃহ আৰু এটা বৃদ্ধালয়, অপৰাধত লিপ্ত শিশু তথা চেমনিয়াৰ বাবে দুটা নিৰিক্ষণ গৃহ আৰু ৰক্ষণাবেক্ষণৰ প্ৰয়োজন থকা নিঃসহায় শিসু সকলৰ বাবে আৰু দুটা শিশু নিবাস স্থাপনৰ সিদ্ধান্ত লোৱা হৈছে। অনাথ শিশু সকলৰ শিক্ষা তথা কল্যানৰ হকে এখন বিশেষ আচনি গ্ৰহণৰো প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। মই শিশু কল্যানৰ ক্ষেত্ৰত চৰকাৰক পৰামৰ্শ দিবলৈ শিশু কল্যান পৰিষদ এখন গঠনৰ প্ৰস্তাৱ আগবঢ়াইছো আৰু এই বছৰৰ বাজেটত ইয়াৰ বাবে ১০ লাখ টকা ধাৰ্য কৰা হৈছে।

মই দৰিদ্ৰ সীমাৰেখাৰ তলৰ যি সকল ছোৱালীয়ে বিছ বছৰ বা তাৰ পাছত বিবাহ পাশত আৱদ্ধ হয় তেওলোকক উৎসাহ দিয়াৰ বাবে ১০ হেজাৰ টকাকৈ আৰ্থিক সাহাৰ্য দিবলৈ প্ৰস্তাৱ কৰিছো। তদুপৰি বিধবা আৰু একক ভাৱে বাস কৰা অবিবাহিতা, নিবনুৱা মহিলা সকলৰ কল্যানৰ অৰ্থে মই এখন নতুন আচনি প্ৰৱৰ্তন কৰিবলৈ প্ৰস্তাৱ কৰিছো। ইয়াৰ বাবে মই এইবাৰৰ বাজেটত এক কোটি টকাৰ প্ৰস্তাৱ কৰিছো।

কস্তুৰবা গান্ধী মেমৰিয়েল ন্যাসৰ অসম শাখাই প্ৰশংসনীয় কাম কাজ কৰি আহিছে। এই ন্যাসৰ বাবে চলিত বিত্তীয় বৰ্ষৰ পৰা পাচ লাখ টকাৰ বাৰ্ষিক অনুদান এটা দিবলৈ মই সিদ্ধান্ত কৰিছো।

২০০৯-২০১০ চনৰ বাজেটত সমাজ কল্যান বিভাগৰ বাবে ১০০.৮১ কোটি টকা ধাৰ্য কৰা হৈছে।

৩৯। নগৰ উন্নয়ন ঃ

৩৯.১। গুৱাহাটী উন্নয়ন ঃ

বিগত বছৰ কেইটাত গুৱাহাটী মহানগৰখনৰ কলেৱৰ অতি দ্ৰুত গতিত বৃদ্ধি পাইছে । এটা Survey অনুসৰি বিশ্বৰ ১০০ খন অতি ক্ষীপ্ৰ গতিত বাঢ়ি অহা চহৰ সমূহৰ ভিতৰত গুৱাহাটী অন্যতম। চৰকাৰে চহৰখনৰ আন্তঃগাঠনি, বিশেষভাবে খোৱাপানী যোগান, আলিবাট আৰু Drainage ব্যৱস্থাৰ উন্নয়নত কেবাটাও পদক্ষেপ লৈছে।

২৮০.৯৪ কোটি টকা ব্যয় সাপেক্ষে দক্ষিন গুৱাহাটী, পশ্চিম খণ্ড আৰু ১৩০০ কোটি ব্যয় সাপেক্ষে দক্ষিন মধ্য খণ্ড আৰু উত্তৰ গুৱাহাটীত খোৱাপানী যোগান প্ৰকল্পই মঞ্জুৰী লাভ কৰিছে। ইয়াৰে প্ৰথমটো JNNURM ৰ অধীনত আৰু দ্বিতীয়টো Japan International Cooperation Agency ৰ অধীনত মঞ্জুৰী লাভ কৰে। দক্ষিন পূৱ খণ্ডৰ পানী যোগান প্ৰকল্পটো Asian Development Bank ৰ অধীনত চলিত বছৰতেই গ্ৰহণ কৰা হ'ব। চহৰখনৰ পৰা ধুমুহা বৰষুণৰ পানী নিস্কাষণ কৰিবলৈ, কৃত্ৰিম বানপানী ৰোধিবলৈ এখন DPR প্ৰস্তুত কৰা হৈছে।

গুৱাহাটীখন "জুপুৰী বস্তী" মুক্ত কৰি ৰাখিবলৈ JNNURM ৰ অধীনৰ দুটা প্ৰকল্পত ১২৩২ আৰু ১০২৮ টাকৈ থকা ঘৰ ক্ৰমে ৫৩.৯৫ কোটি আৰু ৫৪.৪৯ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰিবলৈ লোৱা হৈছে।



আলিবাট উন্নয়নৰ বাবে ১০০ কোটি টকা ব্যয় সাপেক্ষে আন এখন আঁচনি ৰাজ্যিক গড়কাপ্তানী বিভাগৰ জৰিয়তে কাৰ্য্যকৰী কৰি থকা হৈছে। ৰাজ্য চৰকাৰে পান বজাৰৰ পৰা পল্টন বজাৰলৈ (Over Bridge) উৰণীয়া সেতু নিৰ্মাণৰ বাবে ১৮.৪৯ কোটি টকা ধাৰ্য্য কৰিছে।

ভাৰত চৰকাৰে ৫৪.৭৫ কোটি টকা ব্যয় সাপেক্ষে ২০০ খন চিটি বাছ ক্ৰয়ৰ বাবে অনুমোদন দিছে। এই কাম অতি শীঘ্ৰেই সম্পন্ন কৰা হ'ব।

৩৯.২। অন্যান্য সৰু আৰু মজলীয়া চহৰৰ উন্নয়নঃ

নগৰ অঞ্চলৰ বাবে প্ৰশিক্ষণ আৰু স্বনিয়োজন আঁচনিখন অতি ক্ষীপ্ৰতাবে ৰূপায়িত হব লাগিছে। উত্তৰ-পূৱ ভাৰতৰ উন্নয়নমূলক আঁচনিৰ বাবে আচুতীয়াকৈ ৰখা ১০% কেন্দ্ৰীয় পূঁজিৰ অধীনত বিভিন্ন উন্নয়নমূলক আঁচনি যেনে ধুমুহা বৰষুণৰ পানী ওলোৱা ব্যৱস্থা, আলিবাট, ট্ৰাক/বাছ আড্ডা, বজাৰ কমপ্লেক্স আদি নিৰ্মাণৰ কাম ২১ চহৰত কৰিবলৈ লোৱা হৈছে।

NLCPR ৰ অধীনত ৩০ কোটি টকা ব্যয় সাপেক্ষে যোবহাট আৰু তেজপুৰত যথাক্ৰমে বাট-পথ উন্নতিকৰণ আৰু নলা নৰ্দমা ব্যৱস্থাৰ উন্নতিকৰণৰ বাবে দুটা প্ৰকল্প হাতত লোৱা হৈছে। বৰ্ত্তমান দুয়োটা প্ৰকল্পৰে কাম চলি আছে। চলিত বছৰত NLCPR ৰ অধীনত আন দহখন চহৰত বিভিন্ন আন্তঃগাঠনিমূলক আঁচনি ৰূপায়ণ কৰা হব। দেৰগাওঁ, মৰিয়নি, সোণাৰি, হাউলী, মাকুম আৰু চাবুৱা

চহৰৰ বাবে ৰূপায়িত হৈ থকা পানী যোগান আঁচনি কেইখন এই বছৰৰ ভিতৰতে সম্পূৰ্ণ কৰা হব। অসম বিকাশ যোজনাৰ অধীনত সকলো চহৰৰ ভিতৰতে জাৱৰ-জোথৰ নিষ্কাষণৰ আঁচনিও ৰূপায়ণ কৰা হব।

৩৯.৩। মই চহৰ অঞ্চলৰ অসংগঠিত কৰ্মী সকলৰ বাবে থকা ঘৰৰ ব্যৱস্থা কৰিবলৈ এখন আঁচনি প্ৰস্তাৱ কৰিছো এই উদ্দেশ্যে ১ কোটি টকা ধাৰ্য্য কৰা হৈছে।

আন এখন আঁচনিৰ জৰিয়তে ৰিক্সাৱালা আৰু ঠেলাৱালালৈ সাহায্য প্ৰদান কৰাৰ উদ্দেশ্যে এখন আচনি প্ৰবৰ্তন কৰা হব। ইয়াৰ বাবে ১ কোটি টকা বাজেটত ধৰা হৈছে।

৪০। পৰিবেশ আৰু বনাঞ্চল ঃ

অসমৰ উন্নয়নত বনাঞ্চলৰ গুৰুত্ব অপৰিসীম। বনাঞ্চল যে কেৱল পাৰিপাৰ্শ্বিক ভাৰ সাম্যতাই বজাই ৰাখে এনে নহয় । আমাৰ অৰ্থনীতিৰ ওপৰতো ইয়াৰ গুৰুত্বপূৰ্ণ প্ৰভাৱ আছে। (Forest Survey of India)ৰ তথ্যমতে অসমত বনাঞ্চলৰ পৰিমাণ ২০০৩ চনৰ ৩৬.৬৩ শতাংশৰ পৰা বৃদ্ধি হৈ ২০০৫ চনত ৩৭.১৩ শতাংশ হৈছেগৈ।

অসম বন সুৰক্ষা বাহিনীৰ (Assam Forest Protection Force) ২য় বেটেলিয়নটো গঢ়ি তোলাৰ লগতে আন্তঃগাঠনি উন্নয়নৰ কাম-কাজ যেনে - অফিচ, কোৱাৰ্টাৰ



আৰু ঘৰ, আলিবাট, কালভাৰ্ট নিৰ্মাণ, পানীৰ সুবিধা প্ৰদান আদি কাম হাতত লোৱা হৈছে।

গোলকীয় উষ্ণতা বৃদ্ধি আৰু বতৰৰ পৰিবৰ্তনো একঅভূতপূৰ্ব সমস্যাৰ ৰূপত দেখা দিছে আৰু ইয়াৰ ফলস্বৰূপে এহাতে পানী আৰু আনহাতে খাদ্য সামগ্ৰী নাটনিয়ে দেখা দিছে। এই সম্পৰ্কে পৰামৰ্শ দিবলৈ মই এখন পৰামৰ্শ পৰিষদ (Advisory Council) গঠনৰ সিদ্ধান্ত লৈছো।

বন বিভাগৰ বাবে ২০০৯-১০ চনৰ বাজেটত ৫৫.৫০ কোটি ধাৰ্য্য কৰা হৈছে।

৪১। বিজ্ঞান আৰু প্ৰযুক্তি ঃ

এই বিত্তীয় বৰ্ষৰ ভিতৰত গুৱাহাটী বিজ্ঞান নগৰী (Guwahati Science City) স্থাপনৰ কথা চিন্তা কৰা হৈছে। ইয়াৰ লগতে, অসমৰ পাচখন জিলাত পাচটা আঞ্চলিক বিজ্ঞান কেন্দ্ৰ স্থাপন কৰা হ'ব। গুৱাহাটী তাৰকা গৃহৰ উন্নীতকৰণৰ কাম আৰম্ভ কৰা হৈছে আৰু এই বিত্তীয় বৰ্ষতে এই কাম সমাপ্ত হোৱাৰ কথা। তদুপৰি যোৰহাট আৰু কোকৰাঝাৰত আৰু দুটা তাৰকা গৃহ স্থাপনৰ যাৱতীয় কাম আগবাঢ়িছে। মই বিজ্ঞান আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত নতুন আৱিস্কাৰ ও উদগনি জনাবলৈ এটা Incentive Fund খোলাৰ প্ৰস্তাৱ দিছো।

৪২। পৰ্যটন ঃ

বিগত কেইবছৰৰ ভিতৰত ৰাজ্যখনত অভূতপূৰ্ব সাফল্য লাভ কৰা খণ্ড সমূহৰ ভিতৰত পৰ্যটন হৈছে অন্যতম। ২০০১ চনত ৰাজ্য খনলৈ ১০,১০,০০০ গৰাকী ঘৰুৱা আৰু ১৪,৪০০ গৰাকী বিদেশী পৰ্য্যটকলৈ বৃদ্ধি পায়। ২০০৮ চনত আগষ্ঠ মাহত প্ৰধান মন্ত্ৰীৰ অসম ভ্ৰমণ কালত গুৱাহাটীক কেন্দ্ৰ হিচাপে লৈ উত্তৰ-পূৰ্বাঞ্চলৰ সামগ্ৰীক পৰ্য্যটনৰ উন্নয়নৰ কথা ঘোষণা কৰে। অসম চৰকাৰে ভাৰত চৰকাৰৰ পৰ্য্যটন মন্ত্ৰালয়ৰ সৈতে যোগাযোগ কৰিছে। ২০০৯ চনৰ পহিলা জানুৱাৰীৰ পৰা কাৰ্যকৰী হোৱাকৈ ৰাজ্যৰ পোন প্ৰথম পৰ্য্যটন নীতিও ঘোষণা কৰা হৈছে। TaTa গোটৰ Ginger Brand ৰ ১০০ কোঠালি যুক্ত হোটেল এখন যোৱা ১৬ জুন তাৰিখে উদ্বোধন কৰা হয়। তাজ গোটৰ অধীনত পঞ্চতাৰকা হোটেল এখন স্থাপনৰ কামো গুৱাহাটীত আৰম্ভ হৈছে।

অসমত পৰিবেশ পৰ্য্যটন আৰু Eco Adventure খণ্ডৰ উন্নয়ন কৰিবলৈ "Assam : Quest for one-horned Rhino' নামৰ কথাছবি এখন আন্তৰ্জাতিক খ্যাতি সম্পন্ন চিত্ৰ নিৰ্মাতা Richard Bangs এ নিৰ্মাণ কৰি উলিয়াইছে। এই কথা ছবিখন জুলাই/আগষ্ট মাহৰ পৰা সমগ্ৰ পৃথিৱীতে প্ৰদৰ্শিত হোৱাৰ কথা। বিশ্ব বিখ্যাত Virtuoso



Group এ পৰিতৰা অভয়াৰণ্যখন তোলনীয়ৰূপে পালন কৰাৰ ইচ্ছা কৰা হৈছে।

নিয়োগ সৃষ্টিৰ ক্ষেত্ৰত পৰ্যটন সবাতকৈ বেচি সম্ভাৱনা আছে। আপ্যায়ন উদ্যোগৰ উন্নয়ন (Hospitality Industry) ৰ অৰ্থে ভাৰত চৰকাৰে অসমত এটা খাদ্য কল প্ৰতিষ্ঠানত (Food Craft Institute) অনুমোদন কৰিছে। এই প্ৰতিষ্ঠানটো নগাওঁ জিলাত এই বৰ্ষৰ পৰাই পাঠ্যক্ৰম আৰম্ভ হ'ব। অসম বিকাশ যোজনাৰ অধীনত পৰ্যটন খণ্ডত নিয়োগ সৃষ্টি আঁচনিখন এই বৰ্ষৰ পৰাই উন্নীতকৰণ কৰা হব। ২০০৯-১০ বিত্তীয় বৰ্ষৰ বাজেটত ১৪.৭৩ কোটি টকা ধাৰ্য্য কৰাৰ প্ৰস্তাৱ ৰখা হৈছে।

৪৩। হস্ততাত, বস্ত্ৰ আৰু ৰেচম ঃ

এই খণ্ডটো গ্ৰামীণ এলেকাৰ বিশেষকৈ মহিলা সকলৰ নিয়োগৰ বাবে অতি গুৰুত্বপূৰ্ণ। সেয়েহে এটা শক্তিশালী আৰু জীৱন্ত হস্ততাত খণ্ড প্ৰস্তুত কৰি উলিয়াবৰ বাবে বিভিন্ন আঁচনি যেনে- দীন দয়াল হাত খৰ্গা যোজনা, কৰ্মীৰ লগতে বাসগৃহ নিৰ্মাণ আঁচনি, স্বাস্থ্য বীমা, বয়নজ্যোতি আঁচনি আদি সফলতাৰে চলাই থকা হৈছে।

মই গৱেষণা আৰু উন্নয়ন, ধনী আৰু আৰ্থিক ভাৱে স্বচ্ছল লোকৰ বাবে উচ্ছমান বিশিষ্ট সম্পূৰ্ণ সামগ্ৰী উৎপাদন তথা প্ৰস্তুত কৰণৰ ওপৰত বিশেষ ভাবে গুৰুত্ব দি ২০০৯-১০ বৰ্ষৰ কাৰণে ৫২.৮০ কোটি টকা এই

খণ্ডৰ বাবে প্ৰস্তাৱ ৰাখিছো। ভাৰত চৰকাৰে শিৱসাগৰক মেগা ক্লাষ্টাৰ হেণ্ডলুম আঁচনি ৰূপে চিহ্নিত হোৱাৰ পিচত মই জনাবলৈ পাই সুখী হৈছো যে মুগাক অসমৰ ভৌগলিক মান ৰূপে ঘোষণা কৰা হৈছে।

৪৪। ৰাজহ সংস্কাৰ ঃ

ৰাজহ সংস্কাৰৰ ক্ষেত্ৰত মোৰ চৰকাৰে লোৱা ব্যৱস্থাসমূহৰ ভিতৰত Stamp Duty সংস্কাৰ অন্যতম। মহিলা নাগৰিক সকলৰ বাবে ন্যায্য পঞ্জীয়নৰ ক্ষেত্ৰত Stamp Duties হ্ৰাস কৰা হৈছে। E-Governance ৰ দ্বাৰা পঞ্জীয়ন কাৰ্যালয় জৰীপকৰণ, ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় আদিৰ ব্যৱস্থা লোৱা হৈছে। সময়োপযোগী অসম বিকাশ যোজনাৰ অধীনত গাওঁ বুঢ়া সকলক মোবাইল ফোন যোগান ধৰা হৈছে। আমাৰ ভূমি ৰাজহ প্ৰশাসন ১৮৮৬ চনত অসম ভূমি ৰাজহ অধিনিয়মৰ ওপৰতেই ঘাইকৈ নিৰ্ভৰশীল। মই প্ৰচলিত ৰাজহ আইনসমূহ আৰু ভূমি নীতিসমূহ অধ্যয়ন কৰি সংশোধনৰ বাবে পৰামৰ্শ আগবঢ়াবলৈ এখন আয়োগ গঠন কৰাৰ প্ৰস্তাৱ কৰিছো। চৰ অঞ্চলৰ জৰীপ আৰু ভূমি আৱন্টন উন্নতিকৰণ কৰা হৈছে আৰু চৰ অঞ্চলত ১২,৮১৫ পৰিয়ালক সংস্থাপন আৰু ভূমি আৱন্টন দিয়া হৈছে। এই ক্ষেত্ৰত চলিত বিত্তীয় বৰ্ষত আৱশ্যকীয় পুঁজি বাজেটত ধাৰ্য্য কৰা হৈছে।



কৰাৰোপণ ঃ

৪৫। মটৰ গাড়ী কৰ ঃ

মই ব্যক্তিগত আৰু বাণিজ্যিক বাহনৰ ক্ষেত্ৰত থকা কেতবোৰ কৰ rationalise কৰিব বিচাৰিছো। ইয়াৰ আগয়ে চাৰি বছৰ পূৰ্বে এনে ধৰণৰ সংশোধন কৰা হৈছিল। এই কৰ সমূহৰ পৰিশৰ মই এনেদৰে বহলাব বিচাৰিছো যাতে ইয়াৰ ফলত বাণিজ্য আৰু গতিশীলতা বৃদ্ধি হয়। মজলীয়া আৰু ডাঙৰ ধৰণৰ বাহনৰ মালিকে বাহন পঞ্জীয়নৰ বাবে দিব লগা কৰ এবাৰত বা ততোধিক কিষ্টিত আদায় দিয়াৰ সুবিধাৰ ব্যৱস্থা মোৰ চৰকাৰে প্ৰদান কৰিব বিচাৰিছে। সমান্তৰালভাবে পূৱা-পশ্চিমা (Corridor) সংযোগ স্থলৰ কাৰ্য্য ক্ষমতা বৃদ্ধিৰ ফলত বিশেষ ধৰণৰ বাহনৰ ওপৰত কৰ বৃদ্ধি কৰাৰ প্ৰস্তাৱ আগবঢ়াব বিচাৰিছো, যাতে আলিবাটৰ আন্তঃগাঠনি তথা মেৰামতিৰ খৰচ বহন কৰিব পৰা যায়। মই প্ৰস্তাৱ ৰখা ব্যৱস্থা সমূহৰ পৰা চলিত বিত্তীয় বৰ্ষত বছৰি ১০০ কোটি টকাৰ ৰাজহ সংগৃহীত হোৱাৰ সম্ভাৱনা আছে।

আলিবাটৰ সুৰক্ষাই আজিৰ দিনত অতি গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছে। এই বিষয়ে সজাগতা বৃদ্ধিৰ বাবে মই এটা State Road Safety Fund সৃষ্টি কৰাৰ প্ৰস্তাৱ ৰাখিছো। ইয়াৰ বাবে প্ৰতিখন ব্যক্তিগত আৰু বাণিজ্যিক বাহনৰ পঞ্জীয়নৰ ১% শতাংশ মাচুল Cess হিচাপে এই পুঁজিলৈ যোৱাৰ ব্যৱস্থা কৰা হব। উক্ত পুঁজি আলিবাট

সুৰক্ষা সজাগতা প্ৰচাৰৰ ক্ষেত্ৰত আগভাগ লোৱা স্বেচ্ছাসেৱী প্ৰতিষ্ঠান, শৈক্ষিক অনুষ্ঠান তথা অন্যান্য অনুষ্ঠানে লাভ কৰিব পাৰিব।

৪৬। আৱকাৰী ঃ

ৰাজ্য চৰকাৰে ২০০৭-০৮ চনত লাভ কৰা ১৯১.১১ কোটি টকা আৱকাৰী শুল্কৰ বিপৰীতে ২০০৮-০৯ চনত ২০১.৪৭ কোটি টকা অৱকাৰী শুল্ক হিচাবে আহৰণ কৰে । দেশীয় সুৰা বিপনীসমূহ (likquor shop) Tender ৰ জৰিয়তে আৱন্টন দিয়াৰ ফলত আৰু Avalorem ৰ হাৰ প্ৰৱৰ্তন কৰাৰ ফলত যথেষ্ট পৰিমাণৰ ৰাজহ উপাৰ্জন হব বুলি আশা কৰা হৈছে। ইয়াৰ উপৰিও দুখন brewery license দিয়াৰ ফলতো ৰাজহৰ পৰিমাণ আৰু বৃদ্ধি হব। এই দুখন license ৰ ভিতৰত এখন এই বছৰতে কাৰ্য্যকৰী হব। ইয়াৰ উপৰিও ভাৰতত প্ৰস্তুত কৰা বিদেশী সুৰাৰ ক্ষেত্ৰত প্ৰযোজ্য হোৱা আৱকাৰী শুল্ক গাঠনিৰ সংশোধনৰো মই প্ৰস্তাৱ কৰিছো। ইয়াৰ পৰা প্ৰতি বছৰে ২০ কোটি টকা ৰাজহ পোৱা যাব। নিষিদ্ধ সুৰাৰ উৎপাদন বন্ধ কৰিবৰ বাবে কঠোৰ ব্যৱস্থা লোৱা হব। The Assam Molasses Act আৰু ইয়াৰ অধিনিয়ম প্ৰস্তুত কৰিবৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। কামৰূপ জিলাৰ দেশীয় সুৰা বিক্ৰী কৰিবৰ বাবে Pouch ব্যৱস্থাৰ প্ৰৱৰ্তনেও নিষিদ্ধ সুৰা বিক্ৰী বন্ধ কৰাৰ ক্ষেত্ৰত যথেষ্ট ভূমিকা গ্ৰহণ কৰিব।



৪৭। বাণিজ্যিক কৰ ঃ

মই এতিয়া বাণিজ্যিক কৰ সম্পৰ্কীয় বিষয়লৈ আহো। মই যোৱা বছৰৰ কেইটামান গুৰুত্বপূৰ্ণ পৰিস্থিতি সম্পৰ্কে আপোনাসৱৰ সৈতে ভাৱ বিনিময় কৰিব বিচাৰিছো।

১। বাজেট প্ৰাক্কলনত ধৰা ৩৩৭৩.৭৬ কোটি টকা কৰ সংগ্ৰহৰ বিপৰীতে ২০০৮-০৯ বৰ্ষত কৰ সংগ্ৰহ (provisional) হয় ৩৬৪১.০৫ কোটি টকা । ২০০৭-০৮ চনৰ ২৮৯৭.৭৩ কোটি টকা কৰ সংগ্ৰহৰ তুলনাত যোৱা বছৰত কৰ সংগ্ৰহৰ হাৰ ২৭% বৃদ্ধি হোৱা দেখা গৈছে। ২০০৭-০৮ চনৰ ২২৩৮.৫৬ কোটি টকা VAT সংগ্ৰহৰ বিপৰীতে ২০০৮-০৯ চনত ২৬৮৮.১২ কোটি টকা VAT সংগ্ৰহ হয়। অৰ্থাৎ ১৪% ৰাষ্ট্ৰীয় গড়ৰ তুলনাত অসমত VAT বৃদ্ধিৰ হাৰ ২০% ৰ অধিক। অৰ্থনৈতিক মন্দাৱস্থা, খাৰুৱা তেল আৰু পেট্ৰ'লিয়ামজাত বস্তুৰ দাম কমি যোৱা স্বত্তেও কৰ সংগ্ৰহৰ ক্ষেত্ৰত লাভ কৰা এই সফলতা অতি প্ৰশংসনীয় ।

২। G.S.T. ঃ ৰাজ্যিক বিত্ত মন্ত্ৰী সকলৰ সবলীকৃত কমিটীয়ে ভাৰতত G.S.T অৰ্থাৎ বস্তু-বাহানি আৰু সেৱা কৰ প্ৰবৰ্ত্তনৰ বাবে এটা মডেল (চানেকী) আৰু road map এখন কেন্দ্ৰীয় বিত্ত মন্ত্ৰালয়ক জমা দিছে । আমাৰ দেশত প্ৰযোজ্য হব পৰাকৈ এই বিষয়ে অনেক আলোচনা চলি আছে। আমিও ইয়াত যোগ দি আমাৰ ৰাজ্যৰ বিত্তীয়

অর্থনৈতিক দিশত প্ৰভাৱ পৰিব পৰা বিষয় সমূহ উত্থাপন কৰি আছো। G.S.T. বাহাল হোৱাৰ পিচতো আমাৰ উদ্যোগিক গোট সমূহে কৰৰ ক্ষেত্ৰত পোৱা ৰেহাই বাহাল থকা সম্পৰ্কে আমাৰ দাবী Empowered Committee খনে মানি লৈছে। G.S.T. বাহাল হোৱাৰ পিছত ৰাজ্যৰ স্বতন্ত্ৰতা (Autonomy) ৰক্ষা আৰু আঞ্চলিক বৈষম্য সম্বন্ধে থকা আমাৰ শংকা ত্ৰয়োদশ বিত্তীয় আয়োগক অবগত কৰা হৈছে। G.S.T. বাহাল হোৱাৰ বাবে ৰাজ্যখনে ভৰিব লগীয়া লোকচানখিনিৰ ক্ষতিপূৰণৰ ব্যৱস্থা ৰাখিবলৈকে আমি কমিটিক জনাইছো।

৩। কেন্দ্ৰীয় বিক্ৰী কৰ (CST)ঃ ১-৪-২০০৭ তাৰিখে (CST) ৪% ৰ পৰা কমাই ৩% কৰা হৈছিল আৰু ১-৬-২০০৮ তাৰিখৰ পৰা আকৌ ২% লৈ হ্ৰাস কৰা হৈছে।

অৰ্থনৈতিক মন্দাৱস্থাৰ পৰা সৃষ্টি হোৱা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সৰলীকৃত কমিটীখনে CST ৰ বৰ্তমানৰ ২% হাৰ বাহাল ৰাখিবলৈ পৰামৰ্শ দিছে। ২০০৮-০৯ বৰ্ষত CST সংগ্ৰহ আছিল ৪১৫.৮১ কোটি। গতিকে ২০০৮-০৯ চনত CST ৰ বাবদ ৰাজ্যৰ প্ৰায় ৩০০ কোটি টকাৰ ঘাটি হব বুলি অনুমান কৰা যায়। এই ঘাটি কেন্দ্ৰীয় চৰকাৰে পূৰণ কৰিব। বৰ্তমানৰ আৰ্থিক পৰিস্থিতি আৰু ২% হাৰলৈ CST হ্ৰাস কৰাৰ পৰিপ্ৰেক্ষিতত আমি ২০০৯-১০ বৰ্ষত ৫৫০ কোটি টকাৰ লোকচান এই শিতানত হব বুলি ভাবিছো।১-৪-২০১০ তাৰিখৰ পৰা GST প্ৰৱৰ্তন যাতে সহজসাধ্য হয় সেই উদ্দেশ্যে CST পৰ্যায় ক্ৰমে দিয়া



হৈছিল। এতিয়ালৈকে হোৱা প্ৰগতিৰ পৰিপ্ৰেক্ষিতত ১-৪-২০১০ তাৰিখৰ পৰা GST বলবৎ হোৱাৰ আশা ক্ষীণ। ভাৰত চৰকাৰে CST ৰ হাৰ হ্ৰাস কৰাৰ বাবে হোৱা লোকচানৰ ক্ষতিপূৰণ ১-৪-২০১০ লৈকেহে দিয়াৰ কথা আছিল যদিও আমি এই তাৰিখৰ পিছলৈকো যাতে ক্ষতিপূৰণ দি থকা হয় সেই অৰ্থে 13th Finance Commission ৰ ওচৰত আৱেদন জনাইছো।

৪। প্ৰৱেশ কৰ ঃ ২০০৮-০৯ চনৰ বাজেটৰ প্ৰস্তাৱ মৰ্মে ১-৬-০৮ ৰ পৰা প্ৰৱেশ কৰ পুনৰ বলবৎ কৰিছো। মাননীয় উচ্চ ন্যায়ালয়ত ইয়াৰ প্ৰত্যাহ্বান জনোৱা হৈছিল। অতি আনন্দৰে সৈতে মই জনাইছো যে মাননীয় উচ্চ ন্যায়ালয়ে অসম প্ৰৱেশ কৰৰ আইন ২০০৮ বাহাল ৰাখিছে। ১-৬-০৮ ৰ পৰা ৩১-৩-২০০৯ চনলৈকে মুঠ ২৬৮.৯০ কোটি প্ৰৱেশ কৰ সংগ্ৰহ কৰা হৈছে। এই বিত্তীয় বৰ্ষত প্ৰৱেশ কৰ ৩০০ কোটি হ'ব বুলি আশা কৰা হৈছে। এই আইন অনুসৰি প্ৰৱেশ কৰৰ ধন কেৱল আলিবাট, দলং, বিদ্যুৎ যোগান, পানী যোগান আদিৰ দৰে আন্তঃগাঠনি উন্নয়ন কৰি বেহা-বেপাৰ-বাণিজ্যৰ সুবিধাৰ্থে ব্যয় কৰা হব। ইয়াৰ দ্বাৰা ৰাজ্যৰ অৰ্থনীতিৰ আন্তঃগাঠনি আৰু বাণিজ্যৰ দিশত যথেষ্ট প্ৰভাৱ ইতিবাচক পৰিব।

৫। সমন্বিত চেক গেট ঃ শ্ৰীৰাম পুৰৰ সমন্বিত পৰীক্ষা চকী নিৰ্মাণৰ কাম শেষ হৈ আহিছে। তদুপৰি বক্সিৰ হাটত

আন এটা সমন্বিত তালাচী চকী নির্মাণৰ বাবে মাটি অধিগ্ৰহণ কৰিবলৈ ধন মোকলাই দিয়া হৈছে।

৬। মাননীয় সদস্যবৃন্দক জনাবলৈ পাই মই সুখী যে State Bank India ৰ সহযোগিতাত ৩ (তিনি) বিধ অতি প্ৰয়োজনীয় কৰ VAT, CST আৰু প্ৰৱেশ কৰ www.onlinesbi.com ৰ জৰিয়তে e-payment কৰিব পৰা ব্যৱস্থা ইতিমধ্যেই সম্পন্ন হৈছে। ইয়াৰ দ্বাৰা কৰ দাতা সকলৰ সময় ৰাহি হ'ব। এনে e-payment ৰ সুবিধা আমি অন্যান্য ক্ষেত্ৰ যেনে e-filing of returns, যান-বাহনৰ তথ্য ইত্যাদিৰ বাবেও প্ৰস্তাৱ ৰখা হৈছে। এনে ব্যৱস্থাৱলীয়ে কৰদাতা সকলৰ কষ্ট আৰু সময় লাঘৱ কৰাৰ লগতে তেওঁলোকক নিজে নিজে কৰ দিয়াৰ বাবে আগ্ৰহান্বিত কৰিব।

কৰ প্ৰস্তাৱ ঃ

৭। মাননীয় বিধান সভা এই বিষয়ে অৱগত যে অৰ্থনৈতিক মন্দৱস্থা আৰু খাৰুৱা তেলৰ মূল্য হ্ৰাস এই দুয়োটাৰে নেতিবাচক প্ৰভাৱ ২০০৯-১০ চনৰ ৰাজহ সংগ্ৰহত পৰাৰ আশংকা আছে। একে সময়তে অৰ্থনেতিক উন্নয়নৰ গতি অব্যাহত ৰাখি নিয়োগ সৃষ্টিৰ বাবে উৎসাহজনক কাৰ্য্যব্যৱস্থা হাতত লোৱাটো অতীৱ প্ৰয়োজন। সেয়েহে কৰ বিষয়ত মই নিম্নোক্ত প্ৰস্তাৱসমূহ আগবঢ়াইছো।



(ক) বিভিন্ন বাণিজ্যিক আৰু উদ্দ্যোগিক প্ৰতিষ্ঠানৰ তৰফৰ পৰা বিভিন্ন সামগ্ৰীৰ বিশেষকৈ যন্ত্ৰ-পাতি আৰু উদ্যোগিক কেচা মালৰ ওপৰত প্ৰৱেশ কৰৰ হাৰ সালসলনি কৰাৰ বাবে দাবী উত্থাপিত হৈ আছে। মই অসম প্ৰৱেশ কৰ আইন, ২০০৮ খনৰ ৪% আৰু ২% ৰ - এই দুটা Slab হে মাত্ৰ ৰাখি বাকী কেইটা উচ্চ হাৰৰ Slab বাতিল কৰাৰ প্ৰস্তাৱ আগবঢ়াইছো। যন্ত্ৰপাতি আৰু কাৰখানা আদিৰ ক্ষেত্ৰত এই কৰৰ হাৰ ৪ শতাংশৰ পৰা ২ শতাংলৈ হ্ৰাস কৰাৰ প্ৰস্তাৱ কৰিছো। তদুপৰি ৫ কোটিৰ তলৰ নিৰ্দ্ধাৰিত মূলধনেৰে স্থাপিত কৰা ক্ষুদ্ৰ উদ্যোগসমূহে এতিয়া ১% ৰ সলনি কেৱল ০.২৫% হে প্ৰৱেশ কৰ দিব লাগিব। ১০ কোটি টকাৰ মূল্যৰ নিৰ্দ্ধাৰিত মূলধনৰ মজলীয়া উদ্যোগবোৰে যন্ত্ৰপাতি আমদানিৰ ক্ষেত্ৰত কেৱল ১ শতাংশহে কৰ ভৰিব লাগিব। উদ্যোগীক (Input) কেচা সামগ্ৰীৰ ওপৰত প্ৰৱেশ কৰ ২ শতাংশলৈ হ্ৰাস কৰা হ'ব। এই ব্যৱস্থাসমূহে স্থানীয় উদ্যোগী সমূহক নিয়োগ বৃদ্ধিৰ বাবে বৰ্ত্তমানৰ মন্দাৱস্থাত উৎসাহিত কৰিব।

(খ) আমাৰ কেতবোৰ প্ৰতিবেশী ৰাজ্যই বাণিজ্যৰ গতি সলনি কৰিব পৰা কেতবোৰ বিশেষ সামগ্ৰীৰ ওপৰত Vat ৰ হাৰ হ্ৰাস কৰিছে। ফলস্বৰূপে সেই সমূহ সামগ্ৰীৰ বাণিজ্যৰ গতি ধাৰা আমাৰ প্ৰতিবেশী ৰাজ্যসমূহৰ ফালে ঢাল খাইছে। ইয়াৰ ফলস্বৰূপে যদিও আমাৰ ৰাজ্যই কিছু ৰাজহ হেৰুৱাব তথাপিও স্থানীয় উদ্যোগ আৰু বাণিজ্যক

সুৰক্ষা প্ৰদান কৰিবৰ বাবে মই কেতবোৰ সামগ্ৰীৰ ওপৰত Vat ৰ হাৰ প্ৰতিবেশী ৰাজ্যসমূহৰ সমপৰ্যায়লৈ নিয়াৰ প্ৰস্তাৱ কৰিছো। গতিকে নিম্ন সামগ্ৰীসমূহৰ ওপৰত Vat ৰ হাৰ মই ৪% লৈ হ্ৰাস কৰাৰ প্ৰস্তাৱ কৰিছো।

প্ৰাকৃতিক গেছৰ ওপৰত কৰৰ হাৰ ২০ শতাংশৰ পৰা ১২ শতাংশলৈ হ্ৰাস কৰা হব। ইয়াৰ উপৰিও অনুসূচীত থকা ড্ৰাগ আৰু মেডিচিন আৰু নিম্নলিখিত কেইবিধমান সামগ্ৰীৰ সজ্ঞা দেশৰ বাকী অংশৰ সৈতে ৰজিতা খোৱাকৈ সংশোধন কৰা হব।

(I) Medical diagnostic kits, equipments devices and implants, spectacles, contact lenses.

(ii) Spare parts of motor vehicles ,

(iii) Certain specified electrical goods,

(iv) Tarpaulin and canvas,

(v) Plywood,

(vi) Furnance Oil,

(vii) Certain Railway items,

(viii) Stone crushing and screening machinery and parts thereof,

(ix) UPS upto 500 KVA.

গ) Assam Agricultural Income Tax 1939 ৰ অধীনত আমিন গাঁৱৰ Inland Container Depot ৰ পৰা ৰপ্তানিকৃত চাহৰ কৃষি আয়ৰ পৰা deduction ৰ পৰিমাণ প্ৰতি



কিলোগ্ৰামত ১ টকাৰ পৰা ৫ টকালৈ বৃদ্ধি কৰিবলৈ মই প্ৰস্তাৱ কৰিছো। ইয়াৰ ফলত মই আশা কৰো আন্তৰ্জাতিক বজাৰত আমাৰ চাহে অধিক প্ৰতিযোগিতা কৰিব পাৰিব।

৪৮। **বাজেট প্ৰাক্কলন ২০০৯-১০ ঃ**

এতিয়া মই আগন্তুক বিত্তীয় বছৰটোৰ পূৰ্ণাঙ্গ বাজেট প্ৰাক্কলন উত্থাপন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিব বিচাৰিছো। পাঁচ বছৰীয়া বিত্তীয় বিৱৰণ আৰু অসম বিত্তীয় দায়বদ্ধতা আৰু বাজেট পৰিচালনা আইন, ২০০৫'ৰ অধীনত দাখিল কৰিবলগীয়া আন এখন প্ৰবিৱৰনো পবিত্ৰ সদনত বাজেট নথিৰ লগত এখন সুকীয়া "পুষ্টিকাৰ" ৰূপত দাখিল কৰা হ'ল।

৪৯। **বাজেট প্ৰাক্কলন ২০০৯-১০ ঃ**

২০০৯-১০ চনৰ বাজেটত ৰাজ্যৰ একত্ৰীকৃত নিধিত মুঠ ২৬২৩২.৪৭ কোটি টকা ৰাজহ আদায় দেখুওৱা হৈছে। তাৰে ২৩০৬৩.৬৪ কোটি টকা ৰাজহ শিতানত আৰু বাকী থকা ৩১৬৮.৮৩ কোটি টকা মূলধন শিতানত। একত্ৰীকৃত নিধিৰ মুঠ ৰাজহ আদায়ৰ সমীক্ষাটো ১ নম্বৰ তালিকাত দেখুওৱা হৈছে। ৰাজহুৱা খণ্ডৰ অধীনত ৮০১৬৪.৬৫ কোটি টকা আদায়ৰ সংযোজনৰ পিছত সৰ্বমুঠ আদায়ৰ পৰিমাণ হ'ব ১০৬৩৯৭.১২ কোটি টকা। একত্ৰীকৃত নিধিৰ ২০০৯-১০ চনৰ সৰ্ব মুঠ ব্যয়ৰ পৰিমাণ হ'ব ৩৪৯৮৫.৯৫ কোটি টকা। ইয়াৰে ৰাজহ শিতানত ২৯২৬৯.৮৬ কোটি টকা আৰু মূলধন শিতানত ৫৭১৬.০৯ কোটি টকা। ২ নম্বৰ তালিকাত ২০০৯-১০ চনত একত্ৰীকৃত নিধিৰ শীৰ্ষ ব্যয় সমূহো

বিতং ভাৱে দেখুওৱা হৈছে। এতেকে ৰাজহুৱা খণ্ডত হোৱা ব্যয়ৰ ৭৯৭৭৯.৯১ কোটি টকাকে ধৰি বছৰটোত সৰ্ব মুঠ ব্যয়ৰ পৰিমাণ হ'ব ১১৪৭৬৫.৮৬ কোটি টকা। ফলত বছৰটোত হোৱা লেন দেনৰ বাবদ ৮৩৬৮.৭৪ কোটি টকাৰ ঘাটি হব। ইয়াৰ লগত বছৰটোৰ আৰম্ভণিৰ ৯৬৮.৯৫ কোটি টকা ঘাটি যোগ দিলে ২০০৯-১০ বিত্তীয় বছৰটোৰ শেষত ঘাটিৰ মুঠ পৰিমাণ ৯৩৩৭.৬৯ কোটি টকা হয়গৈ। চলিত বিত্তীয় বৰ্ষত ভাৰতীয় ৰিজাৰ্ভ বেংকত থকা আমাৰ জমাধনৰ পৰা মই প্ৰয়োজন সাপেক্ষে ৪৭২২.৫৮ কোটি টকা উলিওৱাৰ প্ৰস্তাৱ কৰিছো। ইয়াৰ ফলত ২০০৯-১০ বছৰটো ৪৬১৫.১১ কোটি টকাৰ ঘাটিৰে সামৰণি পৰিব বুলি অনুমান কৰা যায়।

মাননীয় অধ্যক্ষ মহোদয়, মোৰ ভাষণ ইমানতে সামৰি এই বাজেটখন মই পৱিত্ৰ সদনত বিবেচনাৰ বাবে আগবঢ়ালোঁ।

জয় হিন্দ

...



Table-1

**Estimates of Inflows into the Consolidated Fund of the State during 2009-2010**

***(Rupees in Crores)***

| | |
|---|---|
| State Tax | **4028** |
| Non Tax Revenue | **2044** |
| Share of Central Taxes | **5547** |
| State Plan Grants | **4320** |
| Non Plan Grants from Centre | **2169** |
| Grants from the Centre (CSS) | **4521** |
| Loans from the Centre | **87** |
| Other Capital Receipts | **3561** |

## Table-2

### Estimates of Outflows from the Consolidated Fund of the State during 2009-2010

***(Rupees in Crores)***

| | |
|---|---|
| Power (ASEB) | **472** |
| Irrigation & Flood Control | **1966** |
| Crop Husbandry | **513** |
| Industries & Minerals etc., | **421** |
| Social Welfare & Nutrition | **1994** |
| Health & Family Welfare | **1628** |
| Roads and Bridges & Transport | **1466** |
| Police & Home Guards | **1497** |
| Repayment of Ways and Means Advance | **60** |
| Debt Servicing | **3166** |
| Education, Sports & Culture | **4810** |

### Expenditure on Salary & Pension

| | |
|---|---|
| Salary, Wages for Salary, Grants-in-Aid Salary including Pay and Pension Revision | **12165** |
| Pension and other Retirement benefit covering Govt. contribution on New Pension Scheme | **2337** |

## পবিশিষ্ট

### লেনদেনব সংক্ষিপ্ত বিববণ

(কোটি টকাব হিচাপত)

| | প্রকৃত ২০০৭-২০০৮ | বায়ুব আনুমানিক হিচাপ ২০০৮-২০০৯ | সংশোধিত বায়ুব আনুমানিকহিচাপ ২০০৮-২০০৯ | বায়ুব আনুমানিক হিচাপ ২০০৯-২০১০ |
|---|---|---|---|---|
| **(ক) প্রাপ্তি** | | | | |
| ১। একত্রিত | | | | |
| বাজহ হিচাপ | ১৫৩২৪.৯২ | ২২১৯২.৯৯ | ২৩৩০৭.২১ | ২৩০৬৩.৬৪ |
| মূলধন হিচাপ | ১১৭৮.৬৩ | ১৭৪৬.৯০ | ৩০০৮.০০ | ৩১৬৮.৮৩ |
| মূঠ- | ১৬৫০৩.৫৫ | ২৩৯৩৯.৮৯ | ২৬৩১৫.২১ | ২৬২৩২.৪৭ |
| ২। উপানামিত্ত পূর্জি হিচাপ | | | | |
| ৩। বাজহুৱা হিচাপ | ৯৯২২৩.৫০ | ৭৪৯২৩.৫৩ | ৭৯৯৩৯.৭০ | ৮০১৬৪.৬৫ |
| মুঠ (১+২+৩) | ১১৫৭২৭.০৫ | ৯৮৮৬৩.৪২ | ১০৬২৫৪.৯১ | ১০৬৩৯৭.১২ |
| **(খ) ব্যয়** | | | | |
| ১। একত্রিত পূঁজি | | | | |
| বাজহ হিচাপ | ১২৭৪৪.১৬ | ২০০৩৯.৩২ | ২১৪২১.০৯ | ২৯২৬৯.৮৬ |
| মূলধন হিচাপ | ২৪০৬.১৪ | ৪৭৮১.৮৬ | ৫০১৭.৮১ | ৫৭১৬.০৯ |
| মূঠ- | ১৫১৫০.৩০ | ২৪৮২১.১৮ | ২৬৪৩৮.৯০ | ৩৪৯৮৫.৯৫ |
| ২। উপনিমিত্ত পূর্জি হিচাপ | | | | |
| ৩। বাজহুৱা হিচাপ | ১০১২১৫.১০ | ৭৪৫০০.৭৭ | ৭৯৫৮৯.৯৬ | ৭৯৭৭৯.৯১ |
| মুঠ (১+২+৩) | ১১৬৩৬৫.৪০ | ৯৯৩২১.৯৫ | ১০৬০২৮.৮৬ | ১১৪৭৬৫.৮৬ |
| **(গ) বছবটোব ভিতবত লেনদেন** | | | | |
| বাহি (+) | | | ২২৬.০৫ | |
| ঘাটি (-) | ৬৩৮.৩৫ | ৪৫৮.৫৩ | | ৮৩৬৮.৭৪ |
| **(ঘ) আবন্তণিব হিচাপ** | | | | |
| গাণনিকব হিচাপ মতে | | | | |
| বাহি (+) | | | | |
| ঘাটি (-) | ৫৫৬.৬৫ | ২৩৬০.৭০ | ১১৯৫.০০ | ৯৬৮.৯৫ |
| **(ঙ) বিজার্ভ বেংকত জমা ধন** | | | (+) | ৪৭২২.৫৮ |
| **(চ) সামবণিব উদ্বৃত্ত** | | | | |
| বাহি (+) | | | | |
| ঘাটি (-) | ১১৯৫.০০ | ২৮১৯.২৩ | ৯৬৮.৯৫ | ৪৬১৫.১১ |

২০০৯

অসম চৰকাৰী ছপাশালত মুদ্ৰিত,
গুৱাহাটী-২১